সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ১৯ সংখ্যা, ২৬ ব'হাগ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 19 Date of Publication- 10 May 2026 Rs. 10.00/-

## পশ্চিমবংগত শপতগ্ৰহণ অনুষ্ঠানত ৯৮ বছৰীয়া মাখনলাল সৰকাৰৰ চৰণ স্পৰ্শ প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত বিজেপি চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থকা এজন বিশেষ ব্যক্তিক প্ৰণিপাত জনালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ বিজেপিৰ প্ৰতিষ্ঠাকালৰ নেতা শিলিগুৰিৰ দাগ গাঁৱৰ বাসিন্দা ৯৮ বছৰীয়া মাখনলাল সৰকাৰ। বিজেপিৰ পূৰ্বৱৰ্তী সংগঠন জনসংঘৰ প্ৰতিষ্ঠাপক শ্যামাপ্ৰসাদ মুখাৰ্জীৰ তেওঁ আছিল ৰাজনৈতিক সংগী। এই মাখনলাল সৰকাৰকে ব্ৰিগেডৰ মঞ্চত শ্বল পিন্ধাই আদৰণি জনায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অকল সেয়াই নহয়, প্ৰধানমন্ত্ৰী মোদীয়ে হাতেৰে চৰণ স্পৰ্শ কৰি মাখনলাল সৰকাৰক শ্ৰদ্ধাপূৰ্বক প্ৰণাম কৰে। ইয়াৰ পিছতে সামাজিক মাধ্যম এক্সত পোষ্টত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লিখিছে- 'শপত গ্ৰহণ অনুষ্ঠানত মাখনলাল সৰকাৰৰ সৈতে সাক্ষাতৰ সুযোগ পালোঁ। তেওঁ জাতীয়তাবাদী মানুহ। শ্যামাপ্ৰসাদ মুখাৰ্জীৰ সৈতে কাম কৰিছিল আৰু জম্মু-কাশ্মীৰত গ্ৰেপ্তাৰ হৈছিল। তেওঁ আমাৰ দলৰ কাৰণে জীৱন উৎসৰ্গা কৰিছে। পশ্চিমবংগত আমাৰ দলক প্ৰসাৰিত কৰাৰ লগতে মানুহক উদ্বুদ্ধ কৰিছে।' কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ৰাজ্যখনৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়েও মাখনলাল সৰকাৰক প্ৰণাম জনায়। শপতগ্ৰহণৰ মঞ্চতে মাখনলাল সৰকাৰৰ বিষয়ে বৰ্ণনা কৰে পশ্চিমবংগ বিজেপিৰ সভাপতি সমিক ভট্টাচাৰ্যই। তেওঁ প্ৰকাশ কৰা মতে, দেশাত্মবোধক গান গোৱাৰ বাবে কংগ্ৰেছৰ আমোলত মাখনলাল সৰকাৰক দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। মাখনলাল সৰকাৰক আদালতলৈ নি ক্ষমা বিচাৰিবলৈ কোৱা হৈছিল। কিন্তু সেই কথাত মাখনলাল সৰকাৰ মান্তি নহ'ল। কোনোধৰণৰ অন্যায় নকৰাৰ কথা মাখনলাল সৰকাৰে আদালতত স্পষ্টভাৱে (দহ পৃষ্ঠাত চাওক)

## পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ শুভেন্দু অধিকাৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহসহ বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে বিজেপিশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ উপস্থিতিত কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত পশ্চিম বংগৰ বিজেপি চৰকাৰৰ প্ৰথমজন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰে শুভেন্দু অধিকাৰীয়ে। শুভেন্দু অধিকাৰীয়ে শপতগ্ৰহণ কৰাৰ লগে লগে পশ্চিমবংগত প্ৰথমবাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টী চমুকৈ বিজেপিৰ চৰকাৰ গঠন হ'ল । সদ্যসমাপ্ত ৰাজ্যৰ ( দুই পৃষ্ঠাত চাওক)

## দেশৰ নতুন সেনা সৰ্বাধিনায়ক হিচাপে এন এছ ৰাজা সুব্ৰমণিক নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ নতুন সেনা সৰ্বাধিনায়ক (চীফ অব ডিফেঞ্চ ষ্টাফ বা চিডিএছ) হিচাপে লেফটেনেন্ট জেনেৰেল এন এছ ৰাজা সুব্ৰমণিক নিযুক্তি দিয়া হয়। শনিবাৰে কেন্দ্ৰীয় চৰকাৰে তেওঁক এই পদত নিযুক্ত কৰাৰ কথা ঘোষণা কৰে। সেনা সৰ্বাধিনায়ক হোৱাৰ পিছত স্থলসেনা, নৌসেনা আৰু বায়ুসেনা এই তিনিওটা বাহিনীৰ মুৰব্বী হিচাপে কাম কৰিব সুব্ৰমণিয়ে। বৰ্তমান দেশৰ সেনা সৰ্বাধিনায়ক পদত আছে জেনেৰেল অনিল চৌহান। অহা ৩০ মে'ত তেওঁৰ কাৰ্যকাল অন্ত পৰিব। তাৰ পিছতে এই পদত দায়িত্বভাৰ চম্ভালিব এন এছ ৰাজা সুব্ৰমণিয়ে। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিযোগে জনাইছে যে সুব্ৰমণিয়ে চিডিএছৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ সামৰিক বিষয়ক দপ্তৰৰ সচিব হিচাপেও কাম কৰিব। (দহ পৃষ্ঠাত চাওক)

## ১২ মে'ত যান-বাহন চলাচলক লৈ কঠোৰ মহানগৰ প্ৰশাসন




ৰঙিলী বাৰ্ত্তাসেৱা- ১২ মে'ত নতুন চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠান । নিৰ্বাচনী ফলাফলত বিজেপিৰ মিত্ৰজোঁটে অভূতপূৰ্ব জনসমৰ্থন লাভ কৰাৰ পিছত নৱগঠিত চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ বাবে জিলা প্ৰশাসন তথা বিজেপি দলে প্ৰস্তুতি চলাইছে। খানাপাৰাত ১২ মে'ত অনুষ্ঠিত হ'বলগীয়া ড° শৰ্মা চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি শপতগ্ৰহণ অনুষ্ঠানত দেশৰ ২১খন ( দুই পৃষ্ঠাত চাওক)

## ১৮ সংখ্যালঘু বিধায়ককলৈ লাঞ্চ পাৰ্টী ৰকিবুল হুছেইনৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বিজেপি আৰু মিত্ৰদলৰ হাতত একপ্ৰকাৰ বিধ্বস্ত হোৱা কংগ্ৰেছে পৰাজয়ৰ কাৰণ বিচাৰি অনুষ্ঠিত কৰে এক গুৰুত্বপূৰ্ণ বৈঠক। এই বৈঠকৰ পূৰ্বেই কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনৰ বাসগৃহত চলিল এক লাঞ্চ পাটী। কংগ্ৰেছৰ নিৰ্বাচিত বিধায়কসকলক লৈ অনুষ্ঠিত এই লাঞ্চ পাৰ্টীৰ বাবেই আৰম্ভ হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। কংগ্ৰেছৰ নিৰ্বাচিত বিধায়কসকলক গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত বাসগৃহলৈ নিমন্ত্ৰণ কৰি ৰকিবুল হুছেইনে ১৮ গৰাকীকৈ (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় বিশ্বিদ্যালয়ত এইমছ গুৱাহাটীৰ অধ্যক্ষ ড° ভূপেন্দ্ৰ কুমাৰ সিং সঞ্জয়ৰ বক্তৃতা প্ৰদান



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যখনৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহযোগত বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি সভাকক্ষত এক বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন হয়।ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, প্ৰাধ্যাপক ড° জিতেন হাজৰিকাই উদ্বোধন কৰা বক্তৃতানুষ্ঠানত মূল বিষয়ৰ বক্তৃতা প্ৰদান কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চিকিৎসক, এইমছ গুৱাহাটীৰ অধ্যক্ষ পদ্মশ্ৰী ড° ভূপেন্দ্ৰ কুমাৰ সিং সঞ্জয়ে। 'শৃংখলাবদ্ধতা, নৈতিকতা আৰু শ্ৰেষ্ঠতাঃ এজন শল্য চিকিৎসকৰ জীৱনৰ শিক্ষা' -শীৰ্ষক বক্তৃতা প্ৰদান কৰি বিভিন্ন দুৰ্ঘটনাৰ কাৰণ, প্ৰতিৰোধ আৰু সজাগতাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি এক সৰস আলোচনা আগবঢ়ায়। জীৱনৰ উৎকৰ্ষ সাধনত ব্যক্তিগত সাধনা আৰু সহযোগিতাৰ আৱশ্যকতাৰ কথাও বিশিষ্ট চিকিৎসক গৰাকীয়ে নিজৰ ভাষণত উল্লেখ কৰে। নিজৰ জীৱন আৰু অভিজ্ঞ তাৰ আধাৰত প্ৰদান কৰা মনোগ্ৰাহী বক্তৃতাটিয়ে উপস্থিত সকলোকে

( তিনিপৃষ্ঠাত চাওক)

# পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ

বিধানসভা নিৰ্বাচনৰ ফলাফলত বিজেপিয়ে ঐতিহাসিক বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱাৰে পৰা সকলোৰে দৃষ্টি নিবদ্ধ আছিল পশ্চিমবংগৰ ওপৰত। সুদীৰ্ঘ দিন ধৰি কংগ্ৰেছ, বাঁওপন্থী আৰু তৃণমূল কংগ্ৰেছৰ শাসনৰ পিছত ৰাজ্যখনত বিজেপিৰ চমকপ্ৰদ উত্থানে স্বাভাৱিকতে উৎসাহিত কৰি তুলিছে দলটোৰ নেতা-কৰ্মীসকলকো। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছৰে পৰা ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব, তাক লৈ ব্যাপক জল্পনা-কল্পনা চলিছিল। এইক্ষেত্ৰত ৰাজ্যিক বিজেপিৰ নেতা শুভেন্দু অধিকাৰীৰ নামটো আছিল সকলোৰে আগত। অৱশেষত শুকুৰবাৰে শুভেন্দু অধিকাৰীক বিধায়িনী দলপতি হিচাপে বাছনি কৰা হয়। দলৰ সকলোৰে সমৰ্থনত তেওঁক মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। বিধায়িনী দলৰ বৈঠকৰ পিছত গৃহমন্ত্ৰী শ্বাহে কয়, 'বিধায়িনী দলপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে। ৮টা প্ৰস্তাৱ আহিছিল। এই সকলো প্ৰস্তাৱতে এটাই নাম আছিল। দ্বিতীয়টো নামৰ বাবে পৰ্যাপ্ত সময়ো দিয়া হৈছিল। কিন্তু কোনো দ্বিতীয় নামৰ প্ৰস্তাৱ নাহিল। সেইবাবে শুভেন্দু অধিকাৰীকে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰিলোঁ।' মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই শুভেন্দু অধিকাৰীয়ে পশ্চিমবংগৰ সৰ্বাংগীণ বিকাশ আৰু আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ সংকল্প গ্ৰহণ কৰিলে। সোণৰ বাংলা গঢ়িবলৈ শূন্য সহনশীলতা নীতি গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিলে নতুন মুখ্যমন্ত্ৰীয়ে। ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত শুভেন্দু অধিকাৰীৰ লগতে তেওঁৰ মন্ত্ৰীসভাৰ পাঁচজন সতীৰ্থয়ো শপতগ্ৰহণ কৰে। ইয়াৰ ভিতৰত উত্তৰ বংগৰ পৰা দুজন আৰু দক্ষিণ বংগৰ পৰা তিনিজনক মন্ত্ৰীসভাত স্থান দিয়া হৈছে। এই পাঁচগৰাকী মন্ত্ৰী হ'ল- দিলীপ ঘোষ, অগ্নিমিত্ৰা পাল, অশোক কীৰ্তনীয়া, নিশিথ প্ৰামাণিক আৰু ক্ষুদিৰাম টুডু। মুখ্যমন্ত্ৰী হোৱাৰ পিছতে শুভেন্দু অধিকাৰীয়ে 'মই নহয়, আমি' হৈ একেলগে কাম কৰাৰ বাৰ্তা দিছিল। ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত প্ৰথমখন বিজেপি চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানতো সেই একেই অখণ্ডতাৰ ছবি দেখিবলৈ পোৱা গ'ল। প্ৰথমখন বিজেপি চৰকাৰৰ মন্ত্ৰীসভাত যেন 'এক ভাৰত'ৰ বাৰ্তা। শনিবাৰে মুখ্যমন্ত্ৰীৰ পিছতে শপতগ্ৰহণ কৰে দিলীপ ঘোষে। তাৰ পিছত অগ্নিমিত্ৰা পাল, মতুৱা বিধায়ক অশোক কীৰ্তনীয়া, আদিবাসী বিধায়ক ক্ষুদিৰাম টুডু আৰু শেষত ৰাজবংশী অধ্যুষিত এলেকাৰ পৰা নিৰ্বাচিত নিশিথ প্ৰামাণিকে শপতগ্ৰহণ কৰে। এই মন্ত্ৰীসভাখনৰ বাকী সদস্যসকল কোন হ'ব, সেয়া এতিয়াও ঘোষণা কৰা হোৱা নাই। সূত্ৰৰ মতে, মন্ত্ৰীসভাৰ বাকী সদস্যসকলে অহা সোমবাৰে শপতগ্ৰহণ কৰিব। সেইদিনাই দপ্তৰসমূহ বিতৰণ কৰাৰো সম্ভাৱনা আছে। অহা সোমবাৰে লোকভৱনত ৰাজ্যপাল আৰএন ৰবিয়ে নতুন মন্ত্ৰীসভাৰ সদস্যসকলক শপতবাক্য পাঠ কৰাব। তাৰ পিছতে মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। মঙলবাৰে প্ৰ'টেম স্পীকাৰৰ শপতগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ৰাজভৱনলৈ যাব। তাপস ৰায় বিধানসভাৰ অধ্যক্ষ হোৱাৰ সম্ভাৱনা আছে। তাৰ পিছত অহা বুধবাৰে আৰু বৃহস্পতিবাৰে বিজেপি বিধায়কসকলে শপতগ্ৰহণ কৰিব। লক্ষণীয়ভাৱে এই শপতগ্ৰহণ অনুষ্ঠানলৈ আহোঁতে পশ্চিমবংগৰ জনসাধাৰণৰ সন্মুখত প্ৰণাম কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অনুষ্ঠানত সুকীয়াকৈ তেওঁ কোনো ভাষণ দিয়া নাছিল। প্ৰণামেৰে তেওঁ পশ্চিমবংগবাসীক শ্ৰদ্ধা জনায়। ব্ৰিগেডৰ মঞ্চত উঠিয়েই প্ৰথমে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰে শ্ৰদ্ধাজ্ঞাপন কৰে প্ৰধানমন্ত্ৰীয়ে। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপৰি গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে বিজেপিৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় শীৰ্ষ নেতৃত্বৰো বহুতেই উপস্থিত থাকে। বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিজেপিৰ সৰ্বভাৰতীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা এনচিপি নেতা প্ৰফুল্ল পেটেল, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী, চিৰাগ পাছোৱান, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, স্মৃতি ইৰাণী, শিৱৰাজ সিং চৌহান, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছ, অগ্নিমিত্ৰা পাল আৰু মিথুন চক্ৰৱৰ্তী শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থকে।

# কটন বিশ্ববিদ্যালয়ত ড° পাৰিজাত বৰগোহাঁইৰ কবিতা পুথি উন্মোচন




ৰঙিলী বাৰ্তাসেৱা- কটন বিশ্ববিদ্যালয়ৰ মাণিক চন্দ্ৰ বৰুৱা ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড° পাৰিজাত বৰগোঁহাইৰ কবিতা পুথি Whispering Embers আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত কবিতা পুথিখন উন্মোচন কৰে বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰা, সাহিত্যিক ইন্দ্ৰাণী

( তিনিপৃষ্ঠাত চাওক)

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথিক লৈ বিতৰ্ক

ৰঙিলী বাৰ্তাসেৱা- এখন পাঠ্যপুথিক লৈ বিতৰ্কৰ মাজলৈ আহিছে গুৱাহাটী বিশ্ববিদ্যালয়। মাজুলীৰ সত্ৰক লৈ বিভ্ৰান্তিমূলক তথ্য সন্নিৱিষ্ট কৰি বিতৰ্কৰ মাজলৈ আহিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত এখন পাঠ্যপুথি। কল্যাণী পাব্লিচাৰ্ছৰ দ্বাৰা প্ৰকাশিত উক্ত গ্ৰন্থখন হৈছে 'ছ'চিয়েল এণ্ড ইক'ন'মিক হিষ্ট্ৰী অৱ আছাম'। স্নাতক মহলাৰ 'বুৰঞ্জী' মেজৰৰ চতুৰ্থ যাণ্মাসিকৰ বাবে প্ৰণয়ন কৰা গ্ৰন্থখনত মাজুলীৰ প্ৰথম সত্ৰখন 'মণিকাঞ্চন সংযোগ' বুলি লিপিবদ্ধ কৰা হৈছে। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জয় সেনে প্ৰণয়ন কৰা গ্ৰন্থখনত মাজুলীৰ সত্ৰ আৰু মণিকাঞ্চন সংযোগক লৈ সৃষ্টি হোৱা এই বিতৰ্কই বৌদ্ধিক মহলতো বিভ্ৰান্তিৰ সৃষ্টি কৰিছে।

# ১২ মে'ত যান-বাহন

ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে অন্যান্য ভিভিআইপিসহ দেশৰ বিভিন্ন প্ৰান্তৰ লক্ষাধিক লোকে অংশগ্ৰহণ কৰিব। সমান্তৰালকৈ কামৰূপ মহানগৰ জিলা প্ৰশাসন সাজু হৈ উঠিছে। বিশেষকৈ ১২ মে'ৰ বাবে যানবাহন চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা প্ৰদান কৰিছে কামৰূপ মহানগৰ জিলাৰ যানবাহন শাখাই। এই সন্দৰ্ভত শনিবাৰে আয়ুক্ত কাৰ্যালয়ত আয়ুক্ত স্বপনীল পাল আৰু যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথিয়ে এই নতুন পথ নিৰ্দেশনা জাৰি কৰে।সংবাদমেল সম্বোধন কৰি ডিচিপি জয়ন্ত সাৰথি বৰাই কয়, " শপতগ্ৰহণ অনুষ্ঠানত এক লাখ জনসমাগম হ'ব । বিভিন্ন স্থানৰ পৰা শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে লোকসকল আহিব। সেয়েহে সেই দিনটোত যানবাহন চলাচলৰ ক্ষেত্ৰত পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰা হৈছে।" তেওঁ কয়, ২৭নং আৰু ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অৰ্থাৎ কইনাধৰাৰ পৰা ভূপেন হাজৰিকা ক্ষেত্ৰলৈ আৰু ভূপেন হাজৰিকা ক্ষেত্ৰৰ পৰা আজাৰালৈ এই পথছোৱাত গধুৰ বাহন, মালবাহী ট্ৰাক, ডাম্পাৰ লগতে ধীৰ গতিৰ বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই দিনটোত পৰাপক্ষত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ এৰাই চলি জিএছ ৰোডটো ব্যৱহাৰ কৰিব লাইজে। বিমানবন্দৰলৈ যাবলগীয়া যাত্ৰীসকলে হাতত দুঘণ্টা অধিক সময় লৈ ঘৰৰ পৰা উলাব। তেওঁ লগতে কয়, কইনাধৰা পইণ্টৰ পৰা অসম অভিযান্ত্ৰিক মহাবিদ্যালয় (এইচি) পইণ্টলৈ যিটো চাৰিলেনযুক্ত পথৰ কইনা ধৰাৰ পৰা সোঁফালৰ লেনটোৰে বাহন চলাচল কৰিবলৈ দিয়া হ'ব। আনহাতে বাওঁফালৰ লেনটো সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হ'ব। সেইটো পথ বিশেষ পথ হিচাপে ৰখা হ'ব ।ন-পাৰ্কিঙৰ সন্দৰ্ভত তেওঁ কয়, ২৭ নং আৰু ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰ্ভিচ লেনত কোনো যানবাহন পাৰ্কিং কৰিব নোৱাৰিব । আনহাতে বতাহঘুলি, পাঞ্জাবাৰী, ছয়মাইল, খানাপাৰাৰ ৰাস্তাৰ কাষত কোনো বাহন পাৰ্কিং কৰিব নোৱাৰিব। পাৰ্কিঙৰ সন্দৰ্ভত তেওঁ কয়, বশিষ্ঠ পথ, সৰুসজাই ষ্টেডিয়াম, এজিচি এল পাৰ্কিং, শ্বহীদ ন্যাস পথ আদিত অনুষ্ঠানলৈ অহা বাহনসমূহৰ পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব।

# তামিলনাডুত সংখ্যাগৰিষ্ঠতা লাভ কৰি মুখ্যমন্ত্ৰী হ'ল বিজয়



ৰঙিলী বাৰ্ত্তাসেৱা- সঘনে সলনি হৈছে তামিলনাডুৰ ৰাজনৈতিক দৃশ্যপট। সদ্যঘোষিত বিধানসভা নিৰ্বাচনৰ ফলাফলত দলীয়ভাৱে সংখ্যাগৰিষ্ঠতা লাভ কৰিলেও চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় সংখ্যা লাভ নকৰাত তামিলাগা ভেট্ৰি কাঝাগামে (টিভিকে) দলৰ চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত অনিশ্চয়তাৰ সৃষ্টি হৈছিল। এই ফলাফলত ২৩৪খন আসনবিশিষ্ট তামিলনাডু বিধানসভাত ১০৮খন আসন লাভ কৰি থালাপতি বিজয়ৰ নৱগঠিত ৰাজনৈতিক দল টিভিকেই একক সৰ্ববৃহৎ দল হিচাপে মূৰ দাঙি উঠিছিল। কিন্তু চৰকাৰ গঠন কৰিবলৈ প্ৰয়োজনীয় ১১৮খন আসনৰ (দহ পৃষ্ঠাত চাওক)

# শপতগ্ৰহণ অনুষ্ঠানক লৈ খানাপাৰাত প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি




ৰঙিলী বাৰ্ত্তাসেৱা- ঐতিহাসিক বিজয়ৰ পিছত একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে অসমত চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে বিজেপি নেতৃত্বাধীন এনডিএ। বিৰোধীক ধৰাশায়ী কৰি একক সংখ্যাগৰিষ্ঠতাৰে তৃতীয়বাৰৰ বাবে ৰাজ্যৰ শাসনভাৰ লোৱাৰ বিশাল প্ৰস্তুতি চলাইছে বিজেপিয়ে। ইতিমধ্যে ৰাজ্যত তৃতীয়বাৰৰ বাবে বিজেপি চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। বিজেপি আৰু ৰাজ্য প্ৰশাসনে শপতগ্ৰহণ অনুষ্ঠানক লৈ ব্যাপক আয়োজন কৰাৰ লগতে নিমন্ত্ৰিত অতিথিৰ আগমনক লৈও আৰম্ভ কৰিছে বিশেষ প্ৰস্তুতি। ১২ মে'ৰ শপতগ্ৰহণ অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও শীৰ্ষ পৰ্যায়ৰ নেতা। তাৰোপৰি শপতগ্ৰহণ অনুষ্ঠানত দেশৰ ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলকো আমন্ত্ৰণ জনোৱা হৈছে। ( পাঁচ পৃষ্ঠাত চাওক)

# দক্ষিণ কামৰূপত ফৰ্মালিনযুক্ত চালানী মাছৰ ভয়াৱহ বেহা

ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কামৰূপৰ বিভিন্ন প্ৰান্তত এতিয়া ফৰ্মালিনযুক্ত চালানী মাছৰ কলা বজাৰে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বহিঃৰাজ্য, বিশেষকৈ অন্ধ্ৰপ্ৰদেশৰ পৰা আমদানিকৃত এই মাছসমূহ সতেজ কৰি ৰাখিবলৈ ব্যৱহাৰ কৰা হৈছে মাৰাত্মক ফৰ্মালিন। যি ফৰ্মালিন সাধাৰণতে মৃতদেহ পচনৰ পৰা ৰক্ষা কৰিবলৈ ব্যৱহাৰ কৰা হয়, সেই বিষাক্ত ৰাসায়নিক দ্ৰব্য এতিয়া জনসাধাৰণৰ খাদ্যৰ থালত পৰিৱেশন কৰা হৈছে। এক বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, দক্ষিণ কামৰূপৰ বাণিজ্যিক কেন্দ্ৰ বিজয়নগৰৰ লগতে মিৰ্জা, বৰিহাট আদি অঞ্চলত এই চালানী মাছৰ এক বৃহৎ চিণ্ডিকেট সক্ৰিয় হৈ আছে। স্থানীয় বজাৰসমূহ এতিয়া এনে বিষাক্ত মাছেৰে উপচি পৰিছে। উল্লেখ্য যে, এই ফৰ্মালিনযুক্ত মাছৰ সেৱনে মানুহৰ শৰীৰত কেন্সাৰৰ দৰে মাৰাত্মক ব্যাধিৰ লগতে বৃক্ক আৰু যকৃতৰ গুৰুতৰ ক্ষতিসাধন কৰিব পাৰে স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, বছৰটোৰ মূৰত কেতিয়াবা দুই-এবাৰ যোগান বিভাগ বা প্ৰশাসনে এনে মাছৰ বিৰুদ্ধে অভিযান চলায় যদিও সেয়া কেৱল চকু চৰোৱা কামতহে পৰিণত হৈছে। এবাৰ-দুবাৰ অভিযান চলাই বিভাগীয় কৰ্তৃপক্ষই দায়িত্ব সামৰাৰ বাবেই এই চক্ৰটোৱে পুনৰ গা কৰি উঠিবলৈ সুযোগ পাইছে। প্ৰশাসনৰ শিথিলতাৰ সুযোগ লৈয়েই এই চিণ্ডিকেটে চলাই গৈছে তেওঁলোকৰ কলা সাম্ৰাজ্য। এই স্পৰ্শকাতৰ বিষয়টোক লৈ দক্ষিণ কামৰূপৰ সচেতন মহলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। জনস্বাস্থ্যক লৈ খেলা কৰা এই বিষাক্ত মাছৰ ব্যৱসায় তথা চিণ্ডিকেট ৰোধ কৰিবলৈ চৰকাৰ আৰু সংশ্লিষ্ট বিভাগক নিয়মিত অনুসন্ধান আৰু কঠোৰ অভিযান চলাবলৈ আহ্বান জনাইছে অঞ্চলটোৰ সচেতন ৰাইজে। পৰৱৰ্তী সময়ত প্ৰশাসনে এই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া হ'ব লক্ষ্যণীয়।

# দেশৰ পৰা অনুপ্ৰৱেশকাৰীক বিচাৰি উলিয়াই বিতাড়ন কৰা হ'বঃ অমিত শ্বাহ



ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিম বংগৰ বিজেপিৰ বিধায়িনী দলৰ বৈঠকত শুভেন্দু অধিকাৰীক নেতাৰূপে বাছনি কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰথমটো ভাষণত ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰসংগটোৱে গুৰুত্বসহকাৰে স্থান লাভ কৰে। তেওঁ কয়, 'দেশৰ সুৰক্ষাৰ সৈতে কোনো ধৰণৰ আপোচ কৰা নহ'ব। প্ৰতিজন অনুপ্ৰৱেশকাৰীকেই বিচাৰি বিচাৰি উলিয়াই বিতাড়ন কৰা হ'ব।' অমিত শ্বাহে স্পষ্টকৈ কৈ দিয়ে যে সোণাৰ বাংলা গঢ়াৰ লক্ষ্যত তেওঁলোক পশ্চিমবংগৰ ক্ষমতালৈ আহিছে। সেই সোণাৰ বাংলাত অনুপ্ৰৱেশকাৰীৰ কোনো ঠাই নাই গৃহমন্ত্ৰীগৰাকীয়ে সাৱধানবাণী শুনাই কয়, 'বাংলাৰ জনসাধাৰণক আমি কথা দিছোঁ যে আগন্তুক ৫ বছৰত দেশখনৰ পৰা অনুপ্ৰৱেশকাৰীক বিচাৰি বিচাৰি উলিয়াই বিতাড়ন কৰা হ'ব।' অনুপ্ৰৱেশ পশ্চিমবংগৰ এটা দীৰ্ঘদিনীয়া সমস্যা। (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত চিত্ৰাভিনেত্ৰী চেতনা দাসক জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ বসন্ত বঁটা প্ৰদান




ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট চিত্ৰাভিনেত্ৰী চেতনা দাসক জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চ, ডিব্ৰুগড়ে 'বসন্ত বঁটা-২০২৬' প্ৰদান কৰে। দুদিনীয়া বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে চৌকিডিঙ্গী খেলপথাৰত জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ উদ্যোগত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী চেতনা দাসক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ সভাপতি ৰাণাৰঞ্জন গগৈৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা অনুষ্ঠানত 'বসন্ত বঁটা-২০২৬' গ্ৰহণ কৰি বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে কয় যে, জনগোষ্ঠীয় নামটোৱে মোক আকৃষ্ট কৰিছে। জাতিটো একগোট হৈ জীয়াই থাকিব লাগিব। আমাৰ মাজত ঐক্য বৃদ্ধি পাইছে। আমাৰ ঐক্য সদায় আছে আৰু সদায় থাকিব। সেই অনুপ্ৰেৰণাতে মই আজি জীয়াই আছো। নিজৰ ভাষণ প্ৰসংগত বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে সাংস্কৃতি ক্ষেত্ৰখনত খোজ পেলোৱা স্মৃতি সোঁৱৰণ কৰে। এই অনুষ্ঠানতে সাংবাদিক জ্যোতিষ কুমাৰ পাতিৰৰ সম্পাদিত স্মৃতিগ্ৰন্থ 'ঐক্য' উন্মোচন কৰে বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই। জাতীয়- জনগোষ্ঠীয় ঐক্য মঞ্চ, ডিব্ৰুগড়ৰ সম্পাদক বিতুপন দুৱৰাই আঁত ধৰা অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি জয়ন্ত দাস, গৌৰিশংকৰ দাস, কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰাঞ্জল দত্ত, বেংগলী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ সাধাৰণ সম্পাদক (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত

মুগ্ধ কৰে। ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° পল্লৱী ডেকা বুজৰবৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা বক্তৃতানুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সঞ্চালক ড° অংকুৰ ভৰালীয়ে। অনুষ্ঠানটিত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালকে ধৰি বিভিন্ন বিভাগৰ ভালে সংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# কটন বিশ্ববিদ্যালয়ত

ৰায়মেধী আৰু অধ্যাপক বিভাগ চৌধুৰীয়ে। সভাত উপস্থিত আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে বক্তব্য প্ৰদান কৰি ড° পাৰিজাত বৰগোঁহাই কবিতা পুথিখন পাঠক সমাজে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত সাহিত্যিক, সাংবাদিক, শিক্ষাবিদকে ধৰি বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত বহু বিশিষ্ট ব্যক্তিক উপস্থিত থাকে।

# বাজপেয়ী ভৱনত দিলীপ শইকীয়াৰ সভাপতিত্বত এক গুৰুত্বপূৰ্ণ বৈঠক



ৰঙিলী বাৰ্তাসেৱা- বিৰোধীক বিধ্বস্ত কৰি ঐতিহাসিক বিজয় সাব্যস্ত কৰা বিজেপিয়ে তৃতীয়বাৰৰ বাবে ৰাজ্যৰ শাসনভাৰ ল'বলৈ সাজু হৈছে।ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন চৰকাৰ গঠনৰ পূৰ্বে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ হাতত নিজৰ পদত্যাগ পত্ৰ দাখিল কৰিছে । অহা ১২ মে'ৰ দুপৰীয়া বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ বাবে শপতগ্ৰহণ কৰিব। তৃতীয়বাৰৰ বাবে ৰাজ্যত বিজেপি চৰকাৰ গঠনৰ যুদ্ধকালীন গতিৰে চলিছে প্ৰস্তুতি ৰাজ্যিক বিজেপিৰ।উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী উপস্থিত থাকিবলগা এই শপতগ্ৰহণ অনুষ্ঠানক লৈ ইতিমধ্যে তৎপৰ হৈ পৰিছে বিজেপিৰ লগতে প্ৰশাসন। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বিশাল ৰভা নিৰ্মাণৰ কাম আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনক লৈ ৰাজ্য প্ৰশাসনেও আৰম্ভ কৰিছে বিভিন্ন সুৰক্ষাৰ ব্যৱস্থা। সমান্তৰালভাৱে নতুন চৰকাৰক আদৰিবলৈ গুৱাহাটীক সজাই-পৰাই তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰিয়েই সভাপতি দিলীপ শইকীয়াৰ অধ্যক্ষতাত ৰাজ্যিক



বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত অনুষ্ঠিত হ'ল এক গুৰুত্বপূৰ্ণ বৈঠক। এই বৈঠকত নৱ-নিৰ্বাচিত বিধায়ক পীযুষ হাজৰীকা, জয়ন্ত মল্লবৰুৱা কৌশিক ৰায়, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি কেইবাজনো নেতা উপস্থিত আছিল।১২ মে'ৰ পুৱা ১০.১৫ বজাত বৰঝাৰ বিমানবন্দৰত অৱতৰণ কৰিবলগা প্ৰধানমন্ত্ৰী মোদীয়ে বিমানবন্দৰৰ পৰাই হেলিকপ্টাৰযোগে অৱতৰণ কৰিব নাৰেংগীস্থিত সেনা বাহিনীৰ হেলিপেডত আৰু তাৰ পৰাই পোনে পোনে উপস্থিত হ'ব খানাপাৰাৰ শপতগ্ৰহণ অনুষ্ঠানত। সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰীৰ লগতে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত

( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত বিশ্ব ৰেডক্ৰছ দিৱস পালন




ৰঙিলী বাৰ্তাসেৱা- দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড়তো ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ডিব্ৰুগড় জিলা শাখাই বিশ্ব ৰেডক্ৰছ দিৱস পালন কৰে। এই উদ্দেশ্যে ৰেডক্ৰছ আন্দোলনৰ প্ৰতিষ্ঠাতা চুইজাৰলেণ্ডৰ ছাৰ হেনৰি ডুনান্টৰ ১৯৮ সংখ্যক জন্মজয়ন্তী উপলক্ষে বিশ্ব ৰেডক্ৰছ দিৱস পালন কৰা হয়। ছ'চাইটিৰ অস্থায়ী কাৰ্যালয় প্ৰাঙ্গণত আয়োজিত অনুষ্ঠানত পুৱা ১১ বজাৰ পৰা ৰেডক্ৰছ ছ'চাইটিৰ সদস্যসকল সমবেত হৈ এই মহান মানবতাবাদী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মানবতা, সহমৰ্মিতা আৰু নিঃস্বাৰ্থ সেৱাৰ ক্ষেত্ৰত ছাৰ হেনৰি

( দহ পৃষ্ঠাত চাওক)

# মহাধিবক্তা পদৰ পৰা পদত্যাগ দেৱজিৎ শইকীয়াৰ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ এডভোকেট জেনেৰেল তথা মহাধিবক্তা দেৱজিৎ শইকীয়াই নিজৰ পদৰ পৰা পদত্যাগ কৰিছে।ৰাজ্যত নতুন চৰকাৰ গঠনৰ প্ৰাক্কণত এই সিদ্ধান্ত গ্ৰহণ কৰাক লৈ ৰাজনৈতিক আৰু আইনী মহলত ব্যাপক চৰ্চা আৰম্ভহৈছে। জানিব পৰা মতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বৰ্তমান চৰকাৰখনৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পিছতে শইকীয়াই নিজৰ পদত্যাগ-পত্ৰ দাখিল কৰে। ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰা এক বিবৃতিত তেওঁ উল্লেখ কৰে যে ৬ মে'ত আনুষ্ঠানিকভাৱে পদত্যাগ-পত্ৰ দাখিল কৰা হৈছে। বিবৃতিত তেওঁ লগতে কয় যে উচ্চ পৰম্পৰা আৰু সাংবিধানিক নীতি অক্ষুণ্ণ ৰাখিবলৈ, মোৰ কাৰ্যকাল আৰু বৰ্তমান চৰকাৰৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে মই এডভোকেট জেনেৰেল পদৰ পৰা পদত্যাগ কৰিছোঁ।প্ৰায় পাঁচ বছৰ ধৰি এই গুৰুত্বপূৰ্ণ সাংবিধানিক দায়িত্ব পালন কৰা দেৱজিৎ শইকীয়াই নিজৰ কাৰ্যকালক অত্যন্ত সন্মান আৰু গৌৰৱৰ বুলি অভিহিত কৰে।লগতে এই সময়ছোৱাত লাভ কৰা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী পৰিষদ, চৰকাৰী বিষয়া, আইনী মহলৰ সদস্য আৰু সহকৰ্মীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ত বসন্ত উৎসৱ উদযাপন



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ একাডেমী আৰু শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ যৌথ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত বসন্ত উৎসৱ পালন কৰে।মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হলিৰাম ফুকনে আনুষ্ঠানিক ভাবে শুভ উদ্বোধন কৰা অনুষ্ঠানত কাৰ্যকৰী সভাপতি চান্দ কুমাৰ গোহাঁই, ৰঞ্জন দত্ত, হিৰণ্য সেনাপতি, অজয় দত্ত, মাধুৰ্য বৰুৱাকে ধৰি পৰিচালনা সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। ছাত্ৰী সুহাচিনি আৰু ছাত্ৰ তনবিৰে আঁতধৰা অনুষ্ঠানত বিদ্যালয়খনৰ কণমানি ছাত্ৰ-ছাত্ৰী সকলে বিহু নাচ, গীত, নৃত্য আৰু জুবিন গাৰ্গৰ মায়াবিনি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। শিক্ষানুষ্ঠান দুখনৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই বসন্ত মহোৎসৱৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক অসমীয়া বাপতি সাহোন ৰঙালী বিহু সম্পৰ্কে অৱগত কৰা লগতে নিজকে কিদৰে জড়িত কৰিব পাৰি সেই উদ্দেশ্য আগত ৰাখি প্ৰথমবাৰৰ বাবে আয়োজন কৰে। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈ, একাডেমীৰ শৈক্ষিক মূৰব্বী যাদৱ গগৈ, কৃষ্ণা শইকীয়া গুৰুঙ, বৈশালী দত্তকে ধৰি প্ৰতিগৰাকী শিক্ষক শিক্ষয়িত্ৰী বসন্ত উৎসৱত উপস্থিত থাকে আৰু প্ৰতিগৰাকী বিশিষ্ট ব্যক্তিক কন কন ছাত্ৰ ছাত্ৰী সকলে বিহুৱানেৰে আদৰণী জনায়।

# মমতা বেনাৰ্জীৰ মন্ত্ৰীসভাক বৰ্খাস্ত কৰিলে ৰাজ্যপালে




ৰঙিলী বাৰ্তাসেৱা- বিধানসভাৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ পৰাজয়ৰ পাছতো দলটোৰ মুৰব্বী মমতা বেনাৰ্জীয়ে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী পদ ত্যাগ কৰিবলৈ অমান্তি হোৱাৰ পাছত বৃহস্পতিবাৰে বংগৰ ৰাজ্যপালে পশ্চিম বংগ মন্ত্ৰীসভা বৰ্খাস্ত কৰে। ইতিমধ্যে ৰাজভৱনৰ তৰফৰ পৰা এক বিজ্ঞপ্তি প্ৰকাশ কৰি জনোৱা হৈছে যে বৰ্তমান চৰকাৰ ম্যাদ আছে ৭ মে'ৰ নিশা ১২ বজা পৰ্যন্ত। অৰ্থাৎ বৃহস্পতিবাৰে নিশা ১২ বজাৰ পিছত চৰকাৰৰ ম্যাদ অন্ত পৰিব । তেনেক্ষেত্ৰত শুকুৰবাৰে ৰাজভৱনৰ তৰফৰ পৰা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা দলক নতুন চৰকাৰ গঠনৰ বাবে আহ্বান জনোৱা হ'ব । ইয়াৰ পিছত সংশ্লিষ্ট

( নপৃষ্ঠাত চাওক)

# নিৰ্বাচনোত্তৰ হিংসাত জৰ্জৰিত বংগ

ৰঙিলী বাৰ্তাসেৱা- সোমবাৰে বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছৰে পৰা নিৰ্বাচনোত্তৰ হিংসাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে । ফলাফল ঘোষণাৰ পিছৰে পৰা ৰাজ্যখনৰ ঠায়ে ঠায়ে বিক্ষিপ্ত হিংসাত্মক ঘটনা ঘটিবলৈ আৰম্ভ কৰে।গুলী আৰু বোমা বিস্ফোৰণৰ ঘটনাই অগ্নিগৰ্ভ কৰি তোলা পশ্চিমবংগত ইতিমধ্যে কেইবাজনো লোকৰ প্ৰাণহানি ঘটিছে। বুধবাৰে নিশা ৰাজ্যিক বিজেপিৰ এগৰাকী শীৰ্ষ নেতা তথা সম্ভাব্য মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথক কোনো অচিনাক্ত দুৰ্বৃত্তৰ এটা দলে ২৪ পৰগনা জিলাৰ মধ্যমগ্ৰামৰ বাৰাছাটৰ ৰাজপথৰ ওপৰতে নিচেই ওচৰৰে পৰা গুলীয়াই হত্যা কৰে।পশ্চিমবংগৰ আগন্তুক চৰকাৰখনৰ ভাবী মুখ্যমন্ত্ৰী হিচাপে চৰ্চিত শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়কগৰাকীৰ হত্যাৰ তদন্তৰ বাবে গঠন কৰা হৈছে বিশেষ অনুসন্ধানকাৰী দল, চমুকৈ এছআইটি।এই অনুসন্ধানকাৰী দলটোত ৰাজ্যিক আৰক্ষীৰ লগতে চিআইডিৰ বিষয়াসকলো আছে। চন্দ্ৰনাথ হত্যাৰ তদন্তত ইতিমধ্যে নামি পৰিছে চিআইডি।চন্দ্ৰনাথৰ হত্যাৰ নিশাটোতেই পানীহাতীত চলিল দুষ্কৃতিকাৰীৰ তাণ্ডৱ।এটাৰ পিছত এটাকে বোমা বিস্ফোৰণত কঁপি উঠে পানীহাটীৰ ২ নম্বৰ ৱাৰ্ড। বছিৰহাটত পতাকা উত্তোলন কৰা ঘটনাক কেন্দ্ৰ কৰি বিজেপি কৰ্মীক টাৰ্গেট কৰি গুলী চলোৱাৰ অভিযোগ উঠে তৃণমূলৰ বিৰুদ্ধে। অভিযোগ মতে, এটাৰ পিছত এটাকৈ তিনিটা বোমা বিস্ফোৰণ ঘটায় দুষ্কৃতিকাৰীয়ে।এই বিস্ফোৰণত কমেও ৬-৭জন লোক আহত হয়। ঘটনাৰ খবৰ পাই তত্তাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয় খৰদহ থানাৰ আৰক্ষী। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ মোতায়েন কৰা হয় কেন্দ্ৰীয় বাহিনীও।

# মুখ্যমন্ত্ৰী পদৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ নাম সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ




ৰঙিলী বাৰ্ত্তাসেৱা- বুধবাৰে গুৱাহাটীৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত অসম গণ পৰিষদৰ নতুন বিধায়িনী দলৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে নাম প্ৰস্তাৱ কৰিছে অসম গণ পৰিষদ দলে। আনহাতে, দলৰ বিধায়িনী বৈঠকে সভাপতি তথা বোকাখাত সমষ্টিৰ পৰা বিজয়ী হৈ অহা মন্ত্ৰী অতুল বৰাক দলৰ নেতা হিচাপে নিৰ্বাচিত কৰে। দলৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তক উপ-দলপতি হিচাপে নিৰ্বাচিত কৰে বিধায়িনী দলৰ বৈঠকে। উল্লেখ্য যে বিগত চৰকাৰৰ দৰেই এইবাৰো অগপ দলে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰত অংশীদাৰ হ'বলৈ আগবাঢ়িছে। আমবাৰীৰ কাৰ্যালয়ত দলৰ বিজয়ী সদস্যসকল আহি উপস্থিত হোৱাৰ পিছতে এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সভাপতি অতুল বৰাৰ নেতৃত্বত বহু প্ৰত্যাহ্বানৰ পিছতে ৰাজ্যৰ দহটা সমষ্টিত দলীয় প্ৰাৰ্থী বিজয়ী কৰাই অনাৰ ক্ষেত্ৰত দলে লোৱা ভূমিকাক কৃতজ্ঞতা জনায় নৱনিৰ্বাচিত বিধায়কসকলে। আনহাতে, সভাপতি তথা বিধায়ক অতুল বৰাৰ সভাপতিত্বত হোৱা বিধায়িনী দলৰ বৈঠকে দলীয় প্ৰাৰ্থীসকলক জয়ী কৰাই অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা ভূমিকাক কৃতজ্ঞতা আৰু ধন্যবাদ জনায়। বৈঠকৰ অন্তত সংবাদ মাধ্যমক ( নপৃষ্ঠাত চাওক)

# শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথক গুলীয়াই হত্যা





ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিম বংগত বিধানসভাৰ নিৰ্বাচনৰ পাছত ৰাজনৈতিক হিংসাই ব্যাপক ৰূপ ধাৰণ কৰিছে। বুধবাৰে নিশা কলকাতাৰ উত্তৰ প্ৰান্তত অচিনাক্ত আক্ৰমণকাৰীয়ে বিজেপি নেতা শুভেন্দু অধিকাৰীৰ ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথক গুলীয়াই হত্যা কৰে। এই ঘটনাৰ পাছতে পশ্চিমবংগত তীব্ৰ আতংক আৰু উত্তেজনাৰ সৃষ্টি হৈছে। জানিব পৰা মতে, উত্তৰ ২৪ পৰগনা জিলাৰ মধ্যমগ্ৰামত পশ্চিম বংগ বিজেপিৰ নেতা তথা বিধায়ক শুভেন্দু অধিকাৰীৰ পি এ চন্দ্ৰনাথ ৰথৰ গাড়ীখন ৰখাই দুৰ্বৃত্তই চাৰিজাঁই গুলীচালনা কৰে। প্ৰাথমিক তথ্য অনুসৰি আক্ৰমণকাৰীয়ে ৰথৰ গাড়ীখনৰ পিছে পিছে গৈ হঠাৎ ( দহ পৃষ্ঠাত চাওক)

# ৰাজ্যপালক সাক্ষাৎ কৰি পদত্যাগ-পত্ৰ দাখিল মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা -বুধবাৰে আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিলে ড° হিমন্ত বিশ্ব শৰ্মাই। সাংবিধানিক পৰম্পৰা অনুসৰিয়ে নিৰ্বাচন আয়োগে আনুষ্ঠানিকভাৱে নিৰ্বাচনৰ ফলাফল প্ৰকাশৰ পাছতে বুধবাৰে লোকভৱনত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। লোকভৱনত উপস্থিত হৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি তেওঁ পদত্যাগ-পত্ৰ দাখিল কৰে। আনহাতে ৰাজ্যপালে মুখ্যমন্ত্ৰীৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰি নতুন মন্ত্ৰীসভা গঠন নোহোৱালৈকে বৰ্তমানৰ মন্ত্ৰীসভাক কেয়াৰটেকাৰ চৰকাৰ হিচাপে কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে। পদত্যাগ-পত্ৰ দাখিলৰ পাছতে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- গণতান্ত্ৰিক প্ৰমূল্য আৰু পৰম্পৰা ৰক্ষা কৰি নিৰ্বাচন আয়োগৰ অধিসূচনা প্ৰকাশৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই পদত্যাগ-পত্ৰ ৰাজ্যপালৰ হাতত অৰ্পণ কৰিছোঁ। সমান্তৰালভাৱে চলিত অসম বিধানসভাখন ভংগ কৰি দিয়া বাবেই পৰামৰ্শ প্ৰদান কৰোঁ। ৰাজ্যপালে মোৰ দুয়োটা পৰামৰ্শ গ্ৰহণ কৰে আৰু নতুন মুখ্যমন্ত্ৰীয়ে দায়িত্বভাৰ নোলোৱা পৰ্যন্ত বা নতুন মন্ত্ৰীসভা গঠন নোহোৱা পৰ্যন্ত বৰ্তমানৰ মন্ত্ৰীসভাখনক কেয়াৰটেকাৰ চৰকাৰ হিচাপে কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে। ইফালে পৰৱৰ্তী ( নপৃষ্ঠাত চাওক)

# শিৱসাগৰত আৰক্ষীৰ জালত আলফা স্বাধীনৰ কেডাৰ ৰণ্টু অসম



ৰঙিলী বাৰ্ত্তাসেৱা- আৰক্ষীৰ জালত পৰিল দুৰ্ধৰ্ষ আলফা (স্বাঃ)ৰ দুৰ্ধৰ্ষ ছাৰ্জেণ্ট ৰণ্টু অসম ওৰফে বীৰেন চেতিয়া। দীৰ্ঘদিন ধৰি অসম আৰক্ষীৰ মূৰৰ কামোৰণি হৈ পৰা ৰণ্টু অসমক এক গোপন সূত্ৰৰ পম খেদি ডিমৌৰ পালেঙী ধ্যানপথাৰত আত্মগোপন কৰি থকা অৱস্থাত শিৱসাগৰ জিলাৰ শীৰ্ষ আৰক্ষী বিষয়া আৰু ডিমৌ থানাৰ এটা বৃহৎ আৰক্ষীৰ দলে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। শিৱসাগৰ আৰু ডিমৌ আৰক্ষীৰ বৃহৎ অভিযানকাৰী দলটোৱে ডিমৌ থানাৰ অন্তৰ্গত পালেঙী ধ্যানপথাৰ গাঁৱৰ বিপুল শেনচোৱাৰ বাসগৃহত আত্মগোপন কৰা দুৰ্ধৰ্ষ আলফাৰ ছাৰ্জেণ্ট মেজৰ ৰণ্টু অসমৰ পৰা বৃহৎসংখ্যক মাৰণাস্ত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আলফা(স্বাঃ) ৰ ( নপৃষ্ঠাত চাওক)

# শপতগ্ৰহণ অনুষ্ঠানক লৈ


নতুন চৰকাৰ গঠনৰ পূৰ্বে পদত্যাগ কৰি ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰীৰ দায়িত্বত থকা ড° হিমন্ত বিশ্ব শৰ্মাই নিজে শপতগ্ৰহণৰ বিশাল অনুষ্ঠানটোৰ তদাৰক কৰি আছে। বৃহস্পতিবাৰে নিশাৰ পাছত শুকুৰবাৰে বিয়লি পুনৰ খানাপাৰাৰ খেলপথাৰত উপস্থিত ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিষয়াৰে সৈতে প্ৰস্তুতিৰ বিভিন্ন দিশৰ বুজ লয়। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় দেওবাৰে পুৱা ১০ বজাত বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব আৰু তাতে বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰা হ'ব। তাৰপিছত ৰৰ বজাত এনডিএৰ যৌথ বৈঠক অনুষ্ঠিত হ'ব আৰু সেই বৈঠকত এনডিএৰ নেতা নিৰ্বাচন কৰা হ'ব। সিদিনা ১২ বজাত ৰাজ্যপালক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ অনুমতি দিবলৈ অনুৰোধ জনোৱা হ'ব। ৰাজ্যপালে অনুমোদন দিয়াৰ লগে লগে চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইফালে ১২ মে'ৰ পুৱা ভাগতে গুৱাহাটী বিমানবন্দৰত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। বিমান বন্দৰৰ পৰাই হেলিকপ্টাৰযোগে নাৰেংগীৰ সেনা বাহিনীৰ হেলিপেডত উপস্থিত হৈ তাৰ পৰাই পোনে পোনে খানাপাৰাৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আহিব। আনহাতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন ১১ মে'ৰ নিশা অথবা ১২ মে'ৰ পুৱাই গুৱাহাটীত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পুনৰ কয়, শপতগ্ৰহণ অনুষ্ঠানত প্ৰায় ২০ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী উপস্থিত থকাৰ সম্ভাৱনা আছে । দেশৰ কেইবাগৰাকী উদ্যোগপতি অহাৰ সম্ভাৱনা আছে । অসমৰ সত্ৰাধিকাৰসকল অহাৰ কথা আছে। আনহাতে দলে দলৰ তৰফৰ পৰা ইতিমধ্যে আমন্ত্ৰণ জনাইছে নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক। তদুপৰি সমাৰোহত উপস্থিত থাকিব বিজেপি আৰু অগপৰ বুথ সভাপতিসকলৰ লগতে কেইবাগৰাকীও ৰাজ্যৰ বিশিষ্ট ব্যক্তি। ৰাজ্য প্ৰশাসনে ইতিমধ্যে সকলো নিমন্ত্ৰিত অতিথিক ১২ মে'ৰ দিনা খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰলৈ অনাৰ ব্যৱস্থা কৰিছে। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে ইতিমধ্যে খানাপাৰাৰ খেলপথাৰত বিশাল ৰভা নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ লোক উপস্থিত থাকিব লগা এই শপতগ্ৰহণ অনুষ্ঠানৰ বাবে নিৰাপত্তা ব্যৱস্থাও কটকটীয়া কৰি তোলা হৈছে।

# ৰাজ্যপালৰ হাতত বিজয়ী বিধায়কৰ তালিকা অৰ্পণ কৰিলে মুখ্য নিৰ্বাচনী বিষয়াই




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলসহ ভাৰতৰ নিৰ্বাচন আয়োগৰ এটা প্ৰতিনিধি দলে অসম বিধানসভাৰ নৱ নিৰ্বাচিত ১২৬জনীয়া বিধায়কৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ হাতত দাখিল কৰে। ৰাজ্যত নতুন বিধানসভা গঠন কৰাৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ৰাজ্যপালক সাক্ষাৎ কৰি তেওঁৰ হাতত নৱনিৰ্বাচিত বিধায়কসকলৰ তালিকা দাখিল কৰে। উল্লেখ্য যে যোৱা ৪ মে'ত ঘোষণা কৰা ফলাফল অনুসৰি ১২৬জনীয়া বিধানসভাৰ নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএই ১০২খন আসনত জয়লাভ কৰে। ( নপৃষ্ঠাত চাওক)

# আধুনিকতাৰ ছাঁত মানুহ আৰু সমাজৰ পুনৰ্নিৰ্মাণ



পাৰ্শ্ব জ্যোতি ভাগৰতী, লখিমপুৰ

বৰ্তমান সময়টো কেৱল উন্নয়ন বা প্ৰযুক্তিৰ যুগ নহয়, ই এক গভীৰ সামাজিক ৰূপান্তৰৰ সময়। ডিজিটেল প্ৰযুক্তি, বিশ্বায়ন আৰু নগৰীকৰণৰ দ্ৰুত গতিয়ে মানুহৰ জীৱন-দৰ্শন, মূল্যবোধ আৰু সম্পৰ্কৰ ধাৰণাক নতুনকৈ গঢ়ি তুলিছে। এই যুগত মানুহ অধিক সংযুক্ত, কিন্তু একে সময়তে কেতিয়াবা অধিক নিঃসঙ্গ। সমাজৰ এই দ্বৈত ৰূপেই আধুনিকতাৰ মূল বৈশিষ্ট্য।

শিক্ষা, অৰ্থনীতি আৰু যোগাযোগৰ ক্ষেত্ৰত হোৱা বিপ্লৱে মানুহৰ সম্ভাৱনাক বিস্তৃত কৰিছে। জ্ঞান এতিয়া সীমাবদ্ধ নহয়-ই এখন মুকলি মঞ্চ, য'ত যিকোনো ব্যক্তিয়ে নিজৰ প্ৰতিভা প্ৰকাশ কৰিব পাৰে। কিন্তু এই সুযোগৰ মাজতেই প্ৰতিযোগিতা, মানসিক চাপ আৰু পৰিচয় সংকটৰ দৰে নতুন সমস্যাৰো উদ্ভৱ হৈছে।

আধুনিক সমাজত ব্যক্তি স্বাধীনতা অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে, কিন্তু ইয়াৰ ফলত সামূহিক মূল্যবোধ কেতিয়াবা দুৰ্বল হোৱা দেখা যায়। পৰিয়াল, সমাজ আৰু সংস্কৃতিৰ পৰম্পৰাগত ধাৰণা সলনি হৈ নতুন ধাৰণাই ঠাই ল'বলৈ ধৰিছে। এই পৰিৱৰ্তন ইতিবাচক নে নেতিবাচক-ই সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে আমি ইয়াক কেনেদৰে গ্ৰহণ আৰু ব্যৱহাৰ কৰোঁ তাৰ ওপৰত।

সেয়ে ক'ব পাৰি, আধুনিকতা কেৱল বাহ্যিক উন্নয়ন নহয়; ই এক অন্তৰ্দৃষ্টিৰো বিষয়। যদি আমি প্ৰযুক্তি আৰু উন্নয়নক মানৱীয় মূল্যবোধৰ সৈতে সামঞ্জস্য কৰি আগবাঢ়ো, তেনেহ'লে এই যুগ সমাজৰ বাবে এক সৃষ্টিশীল আৰু স্থায়ীশীল ভৱিষ্যৎ নিৰ্মাণৰ পথ প্ৰস্তুত কৰিব পাৰে।


# মা



ডাঃ যুতিকা ওজা,গুৱাহাটী চিকিৎসা মহাবিদ্যালয়

এটি শব্দ মাথো-'মা'- মমতাৰে পূৰ্ণ
এক অপূৰ্ব্ব সৃষ্টি সৃষ্টিকৰ্ত্তাৰ
যাৰ সান্নিধ্যই দিয়ে গভীৰতাৰ আভাস
সৰলতাৰ সূতাৰে বন্ধা
এক সচা অনুভূতি
হৃদয়ক আপোন কৰা
জননী তুমি
কৰুণাময়ী তুমি
তোমাৰ সৈতে মোৰ শিপাৰ সম্বন্ধ
কাণ্ডাৰী তুমি মোৰ
তুমিয়ে শিকালা জীৱন যুজঁৰ সমীকৰণৰ
যোগ-বিয়োগ, পূৰণ, হৰণ
তোমাকেই কৰো প্ৰণাম শত শত বাৰ
জনমে জনমে হোৱা যেন তুমিয়ে
জন্মদাত্ৰী মাতৃ মোৰ

# মৃত্যু



কাকলি কুমাৰী

এই শব্দটো কেৱল এটা শব্দ নহয়, ই এক গভীৰ অনুভৱ। এই শব্দটো শুনাৰ লগে লগে মানুহৰ হৃদয়ত এক অজান আতংক জাগি উঠে, মনটো বিষাদ ভাৰে কঁপি উঠে, আৰু চিন্তাৰ ঢৌ উঠে। যেন এক মুহূৰ্ততে সকলো স্থিৰ হৈ পৰিব।

যেতিয়া কোনোবাই "মৃত্যু" শব্দটো শুনে, তেতিয়া প্ৰথমে মনত ভাহি আহে হেৰুৱাৰ ভাৱনা। নিজৰ জীৱনৰ কথা নহয়, তাৰ লগে লগে প্ৰিয়জনৰ মুখবোৰ চকুত ভাহি উঠে - মাক, দেউতা, ভনী, ভাতৃ, বন্ধু বা সেইজন যাক আমি অন্তৰৰ পৰা ভাল পাওঁ। এই চিন্তাই মানুহক ভিতৰৰ পৰা দুৰ্বল কৰি তোলে। হৃদয়ত এটা অদৃশ্য ভয় বাস কৰে - "যদি কেতিয়াবা তেওঁলোকক হেৰুৱাব লগা হয় ?"


প্ৰিয়জনৰ ক্ষেত্ৰত এই ভয় আৰু বেছি গভীৰ। যদি হঠাতে মৃত্যুৰ খবৰ আহে, তেন্তে মনটো যেন স্তব্ধ হৈ যায়। কিছুমান মুহূৰ্তলৈ মানুহে বাস্তৱটো মানি ল'ব নোৱাৰে। চকুৰ পানী নিজৰেই অজানতে গলি আহে, বুকুৰ ভিতৰত বিষ জমা হয়। মনে মনে মানুহে ক'ব খোজে - "এইটো সত্য নহ'ব পাৰে নেকি?" কিন্তু বাস্তৱ অটল।

মৃত্যুৱে কেৱল এজন মানুহক নহয়, ই তেওঁৰ সৈতে জড়িত বহুতো স্মৃতি, হাঁহি, কথা-বতৰা, আৰু অনুভৱবোৰো লৈ যায়। ঘৰৰ এটি কোণ খালী হৈ থাকে, কিন্তু সেই খালী ঠাইটোত স্মৃতিবোৰে সদায় বাস কৰে। মানুহে সেই স্মৃতিবোৰ আৰৱি ধৰি ৰাখিবলৈ চেষ্টা কৰে, কাৰণ সেয়াই হয়তো একমাত্ৰ সান্ত্বনা।

তথাপিও, সময়ৰ লগে লগে মানুহে এই দুখটো সহিব শিকে। প্ৰিয়জনৰ স্মৃতি, তেওঁলোকৰ মৰম আৰু শিক্ষা মানুহৰ জীৱনত পোহৰ হৈ থাকে। মৃত্যুৱে শিকায় - জীৱন অস্থায়ী, সেয়ে যেতিয়ালৈকে সুযোগ আছে, তেতিয়ালৈকে প্ৰিয়জনৰ সৈতে মৰমেৰে, যত্নেৰে সময় কটোৱা উচিত।

"মৃত্যু" শব্দটো শুনিলে ভয় লাগে, দুখ লাগে, কিন্তু ই আমাক জীৱনৰ মূল্য বুজাই দিয়ে। ই আমাক সোঁৱৰাই দিয়ে যে, জীৱনৰ প্ৰতিটো মুহূৰ্ত অমূল্য - আৰু সেই মুহূৰ্তবোৰ আমি ভালপোৱা মানুহৰ সৈতে ভাগ-বতৰা কৰাটোৱেই আটাইতকৈ ডাঙৰ সুখ।

# দান



শৈলেন কুমাৰ,মিৰ্জা

দানবীৰ কৰ্ণৰ সেই ত্যাগৰ গাথা
আজিও সজীৱ ইতিহাসৰ পাতত;
প্ৰকৃতাৰ্থত দান কি, সেয়া মাথোঁ জানে
উদাৰ মনৰ কোনো এক ব্যাকুল প্ৰাণত।
দান কৰাজনে বুজে ইয়াৰ মহিমা
হৃদয়ৰ নিভৃত কোণৰ সেই গভীৰ শান্তি;
কিন্তু হায়! এই স্বাৰ্থান্ধ সমাজত
প্ৰতিদানত মিলে মাথোঁ উপলুঙা আৰু ভ্ৰান্তি।
সহস্ৰজনে হঁহা সেই কুটিল হাঁহি
হয়তোবা হলাহল বিষতকৈও অতি বিষাক্ত;
নিজস্ব চৰিত্ৰ উদঙাই দিয়া সেই মুখবোৰত
মানৱতা আজিও যেন অতিশয় অৱশ আৰু ৰক্তাক্ত।
টকা-পইচা হওক বা মৰম-চেনেহ
জড় কিম্বা জীৱ- সকলোৱেই পাৰ্থিৱ মোহ;
সংসাৰৰ এই ভৌতিক চকাৰ মাজত
দানেই মাথোঁ জ্বলায় নিস্বাৰ্থ পোহৰৰ দ্ৰোহ।
চৰম সত্যটো হ'ল-জ্ঞাতে বা অজ্ঞাতে
দানতেই লুকাই থাকে সন্তুষ্টিৰ আচল অৰ্থ;
মানৱ জীৱনৰ ধৰ্ম আৰু কৰ্মই হ'ল ত্যাগ
যাৰ অবিহনে মানুহৰ সকলো পৰিচয় হ'ব ব্যৰ্থ।

# প্ৰত্যয়

প্ৰভাত বণিয়া



ভৰ বাৰিষা বোকা মাটিৰ সুগন্ধত কঠিয়া সিঁচিম
বুকু ভৰিব মন জুৰ পৰিব
অ'মোৰ মৈ দিয়া
এঠালতীয়া শাওনৰ ৰূপহী পথাৰ
সোণ গুটিৰে উপচিব
চাই চাই আমনি নালাগে
হেঁপাহেৰে চপাম লাহিকে
মানিকী--মধুৰী ধান।

# চেকনি



ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়

সময়ৰ সোঁতে উটুৱাই নিলে
তই এতিয়া ক'ত?
আজি তোলৈ বৰকৈ মনত পৰিছে
তই বাৰু ভালে আছনে?
খবৰ ল'বলৈ সময়ে নাই
শুনিছোঁ আজিকালি তোৰ খবৰ
কোনোৱে নলয়।
দেউতা, ককাহঁতৰ মুখত
তোৰ কথা বৰকৈ শুনিছিলোঁ
ককাই কৈছিল
তোৰ শাসনতে বৰ মানুহ হয় বুলি
তই নহ'লে কামেই নহৈছিল
ঘৰত, বিদ্যালয়ত তোৰেই বাহাদুৰি।
মুখ বাগৰি আহিছিল
চেকনিৰ আগত বিদ্যা।
গধূলি খেলপথাৰত পলম হ'লে
ভয়ত হয় দৌৰাদৌৰি
পঢ়া টেবুলত খেলিমেলি কৰিলেও
তোৰেই বৰ বৰ শাসন।
এতিয়া তোৰ কামেই নোহোৱা হ'ল
তোৰ নাম লৈ ভয় দেখুৱালে
কি হয় সুধিব?
ভয় নাখায়
তোৰ শাসনৰ কথা ক'লে
সাধু যেনহে লগা হ'ব।

# গ্ৰাম্য জীৱন



দৰ্শিতা নেওগ, যোৰহাট

গ্ৰাম্য জীৱন হৈছে মানৱ সমাজৰ এক প্ৰাচীন আৰু গুৰুত্বপূৰ্ণ অংশ। ভাৰতবৰ্ষ এখন কৃষিভিত্তিক দেশ, আৰু ইয়াৰ অধিকাংশ মানুহ গাঁৱত বাস কৰে। গাঁও হৈছে আমাৰ সংস্কৃতি, পৰম্পৰা আৰু সভ্যতাৰ মূল আধাৰ। সেয়েহে গ্ৰাম্য জীৱনৰ আলোচনা কৰাটো অত্যন্ত প্ৰয়োজনীয়।

গ্ৰাম্য জীৱনৰ এটা মুখ্য বৈশিষ্ট্য হৈছে ইয়াৰ সৰলতা আৰু প্ৰাকৃতিক সৌন্দৰ্য। গাঁৱৰ পৰিৱেশ বহুতেই শান্ত, নিৰ্মল আৰু প্ৰদূষণমুক্ত। সেউজীয়া ধানখেত, গছ-গছনি, নদী-নলা আৰু মুক্ত আকাশে মানুহৰ মনত এক প্ৰাকৃতিক আনন্দৰ সৃষ্টি কৰে। চহৰৰ দৰে শব্দ-প্ৰদূষণ আৰু ব্যস্ততা গাঁৱত নাই, যাৰ ফলত গাঁৱৰ জীৱন অধিক শান্তিপূৰ্ণ।

গ্ৰাম্য জীৱনত মানুহবোৰ সহজ-সৰল আৰু দয়ালু। তেওঁলোকৰ মাজত পাৰস্পৰিক সহায়-সহযোগিতা আৰু ভাতৃত্ববোধ দেখা যায়। গাঁৱৰ মানুহে একেলগে কাম-কাজ কৰে আৰু পৰস্পৰৰ সুখ-দুখ ভাগ- বতৰা কৰে। বিয়া-সবাহ, উৎসৱ-পাৰ্বণ আদিত সকলোয়ে একেলগে অংশগ্ৰহণ কৰে, যাৰ ফলত সমাজত একতা আৰু সম্প্ৰীতি বৃদ্ধি পায়।

গ্ৰাম্য জীৱনৰ অৰ্থনীতি মূলত কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিকাৰ্য, পশুপালন, মৎস্য পালন আদি গাঁৱৰ মানুহৰ জীৱিকাৰ মুখ্য উৎস। গাঁওবোৰে দেশৰ খাদ্য উৎপাদনত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। কৃষকৰ কঠোৰ পৰিশ্ৰমৰ ফলতেই আমাৰ দেশ খাদ্যত স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে।

কিন্তু গ্ৰাম্য জীৱনত কিছুমান সমস্যা আৰু অসুবিধাও আছে। গাঁৱত আধুনিক শিক্ষাৰ সুবিধা সীমিত, ভাল বিদ্যালয় আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ অভাৱ দেখা যায়। চিকিৎসা ব্যৱস্থাও যথেষ্ট উন্নত নহয়, যাৰ বাবে ৰোগ-ব্যাধিৰ সময়ত মানুহে কষ্ট ভোগ কৰে। যাতায়াত আৰু যোগাযোগ ব্যৱস্থাও বহু ঠাইত উন্নত নহয়। তদুপৰি, দৰিদ্ৰতা আৰু সচেতনতাৰ অভাৱো গ্ৰাম্য জীৱনৰ ডাঙৰ সমস্যা।

বৰ্তমান সময়ত চৰকাৰে গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। ৰাস্তা-ঘাট উন্নয়ন, শিক্ষা ব্যৱস্থা উন্নত কৰা, স্বাস্থ্য সেৱা বৃদ্ধি কৰা আদি ক্ষেত্ৰত কাম চলি আছে। ডিজিটেল যুগত গাঁওবোৰো ধীৰে ধীৰে আধুনিকতাৰ ফালে আগবাঢ়িছে।

শেষত ক'ব পাৰি যে গ্ৰাম্য জীৱন আমাৰ সমাজৰ ভিত্তি। যদিও ইয়াত কিছুমান অসুবিধা আছে, তথাপি ইয়াৰ সৰলতা, শান্তি আৰু প্ৰাকৃতিক সৌন্দৰ্য অনন্য। সঠিক উন্নয়ন আৰু পৰিকল্পনাৰ জৰিয়তে গাঁওবোৰক উন্নত কৰি তোলা সম্ভৱ। সেয়েহে আমি সকলোৰে গ্ৰাম্য জীৱনৰ উন্নয়নৰ বাবে সচেষ্ট হ'ব লাগিব।

# সন্তানৰ ভৱিষ্যতৰ দিশ আৰু অভিভাৱকৰ দায়িত্ব

শংকৰ দেৱ, দেৰগাঁও



বৰ্তমান সময়ত এক প্ৰতিযোগিতামূলক শিক্ষাৰ পৰিৱেশ আৰু সমাজৰ উচ্চাশিক্ষাৰ প্ৰতিদ্বন্দ্বিতাৰ মাজত সন্তানৰ ভৱিষ্যত নিৰ্ধাৰণ কৰা বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰতিজন অভিভাৱকে নিজৰ সন্তান যাতে জীৱনত সফল হয় আৰু আৰ্থ-সামাজিকভাৱে সুৰক্ষিত হৈ থাকে, তাৰ বাবে অশেষ যত্ন লয়। কিন্তু বহু ক্ষেত্ৰত এই যত্নেই বাধ্যতাৰ ৰূপ লৈ সন্তানৰ ওপৰত এক বিপৰীতমুখী চাপৰ সৃষ্টি কৰে, যাৰ ফলত তেওঁলোকৰ নিজা চিন্তা-ভাবনা আৰু আগ্ৰহ গুৰুত্বহীন হৈ পৰে।

আজিৰ সমাজত বিশেষকৈ দেখা যায় যে চিকিৎসক, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া আদি পেছাসমূহক অধিক মূল্য দিয়া হয়। এই কাৰণেই বহু অভিভাৱকে নিজৰ সন্তানক এই পেছাসমূহৰ দিশে আগবঢ়াবলৈ চেষ্টা কৰে, যদিও কেতিয়াবা সেই ক্ষেত্ৰত সন্তানৰ স্বাভাৱিক আগ্ৰহ নাথাকে। এই ধৰণৰ চাপত বহু শিক্ষাৰ্থীয়ে মানসিক দিশত বিপৰ্যস্ত হৈ পৰে, আত্মবিশ্বাস হেৰুৱায় আৰু জীৱনৰ প্ৰতি আগ্ৰহ কমি যায়।

সন্তানৰ মনোবিজ্ঞান অনুসৰি, যি কামত তেওঁলোকৰ স্বাভাৱিক আগ্ৰহ থাকে, সেই কামত তেওঁলোকে অধিক মনোযোগ আৰু উদ্যমেৰে কাম কৰিব পাৰে। সংগীত, ক্ৰীড়া, শিল্প, সাহিত্য, বিজ্ঞান-প্ৰতিটো ক্ষেত্ৰতেই সফলতাৰ সম্ভাৱনা আছে, যদি সেই ক্ষেত্ৰত যথেষ্ট নিষ্ঠা আৰু আগ্ৰহ থাকে।

(বাৰপৃষ্ঠাত চাওক)

# যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন



**ডলী ফুকন,লখিমপুৰ**

**যোৰাখণ্ডৰ পৰা..**

আনহাতে, সময় ঘূৰাই অনাৰ কল্পনাই মানুহক এটা গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে-বৰ্তমানৰ মূল্য বুজিবলৈ। যেতিয়া আমি ভাবো যে অতীত ঘূৰাই অনা নাযায়, তেতিয়া আমি বুজো যে এতিয়াৰ মুহূৰ্তটোৱেই আটাইতকৈ মূল্যবান। ভৱিষ্যৎ অনিশ্চিত, অতীত অতীতেই, কিন্তু বৰ্তমান আমাৰ হাতত আছে। সেয়ে, আমি যদি বৰ্তমানটোক সঠিকভাৱে ব্যৱহাৰ কৰোঁ, তেন্তে ভৱিষ্যৎটো সুন্দৰ হ'ব পাৰে।

এই বিষয়টো আৰু এটা দিশৰ পৰা চাব পাৰি-সময়ৰ সৈতে মানুহৰ সম্পৰ্ক। সময় কেৱল এটা ঘড়ীৰ কাঁটাৰ গতি নহয়; ই আমাৰ অনুভৱ, স্মৃতি আৰু অভিজ্ঞতাৰ সৈতে জড়িত। কেতিয়াবা এক মিনিটো দীৰ্ঘ অনুভৱ হয়, আৰু কেতিয়াবা এটা বছৰো সৰু লাগে। সেয়ে, সময়ৰ মূল্য কেৱল পৰিমাণত নহয়, গুণগত দিশতো আছে।

যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন, তেন্তে হয়তো আমি অধিক সাৱধান, অধিক মৰমীয়াল আৰু অধিক দায়িত্বশীল হ'লোঁহেঁতেন। আমি মানুহৰ সৈতে ভাল ব্যৱহাৰ কৰিলোঁহেঁতেন, সুযোগবোৰ নষ্ট নকৰিলোঁহেঁতেন আৰু নিজৰ সপোনবোৰ পূৰণ কৰিবলৈ অধিক চেষ্টা কৰিলোঁহেঁতেন। কিন্তু বাস্তৱতা হ'ল-সময় ঘূৰাই অনা সম্ভৱ নহয়। এই অসম্ভৱতাই আমাক বাস্তৱৰ সৈতে সংযুক্ত কৰি ৰাখে।

শেষত ক'ব পাৰি যে “যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন” এই চিন্তাটো কেৱল কল্পনা নহয়; ই এক গভীৰ উপলব্ধি। ই আমাক শিকায় যে অতীতৰ বাবে আফচোচ কৰাতকৈ বৰ্তমানত সঠিকভাৱে জীয়াই থকাটো অধিক গুৰুত্বপূৰ্ণ। সময়ক ঘূৰাই অনা নাযায়, কিন্তু সময়ক সঠিকভাৱে ব্যৱহাৰ কৰি আমি আমাৰ জীৱনটো সুন্দৰ কৰি তুলিব পাৰোঁ। সেয়ে, অতীতৰ পৰা শিক্ষা লৈ, বৰ্তমানত মনোনিবেশ কৰি আৰু ভৱিষ্যতৰ বাবে আশা ৰাখি আগবাঢ়া উচিত-এইয়েই জীৱনৰ সৰ্বশ্ৰেষ্ঠ পথ। যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন, তেন্তে হয়তো আমি কেৱল নিজৰ ভুলবোৰ শুধৰাবলৈ নহয়, বৰঞ্চ আনৰ সৈতে থকা সম্পৰ্কবোৰো নতুনকৈ গঢ়ি তুলিবলৈ চেষ্টা কৰিলোঁহেঁতেন। জীৱনত বহু সময়ত আমি কিছুমান প্ৰিয় মানুহক আঘাত দিওঁ- কেতিয়াবা কথাৰে, কেতিয়াবা আচৰণেৰে। পিছত আমি তাৰ বাবে দুখ পাওঁ, কিন্তু সেই সময়টো উভতি আহে নে? যদি সেই মুহূৰ্তবোৰ পুনৰ ঘূৰি আহিলেহেঁতেন, তেন্তে হয়তো আমি সাৱধানভাৱে কথা ক'লোঁহেঁতেন, অধিক মৰমেৰে ব্যৱহাৰ কৰিলোঁহেঁতেন। এই চিন্তাই আমাক বুজায় যে সম্পৰ্কবোৰ কিমান মূল্যবান আৰু সেয়া যত্নেৰে ৰক্ষা কৰা উচিত।

ইয়াৰ উপৰিও, সময় ঘূৰাই অনাৰ কল্পনাই আমাক নিজৰ অপূৰণীয় সপোনবোৰৰ কথাও সোঁৱৰায়। জীৱনত বহু সপোন থাকে, যিবোৰ বিভিন্ন কাৰণত পূৰণ নহয়-কেতিয়াবা ভয়ৰ বাবে, কেতিয়াবা সুযোগৰ অভাৱত। যদি সময় উভতি আহিলেহেঁতেন, তেন্তে হয়তো আমি সেই সপোনবোৰ পূৰণ কৰিবলৈ সাহস দেখুৱালোঁহেঁতেন। কিন্তু এই অনুভৱৰ মাজতে এটা গুৰুত্বপূৰ্ণ শিক্ষা লুকাই আছে-যি কামবোৰ আমি এতিয়াও কৰিব পাৰোঁ, সেইবোৰ কিয় পিছুৱাই ৰাখিম? সময় উভতি নাহে, কিন্তু আগলৈ যোৱাৰ পথ সদায় খোলা থাকে।

আনহাতে, সময় ঘূৰাই অনাৰ চিন্তাই কেতিয়াবা আমাক অতীতত আবদ্ধ কৰি ৰাখে। আমি যদি সদায় “যদি এনেকুৱা হৈছিলহেঁতেন” বুলি ভাবি থাকোঁ, তেন্তে বৰ্তমানৰ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰোঁ। জীৱন সদায় আগলৈ আগবাঢ়ে; ই কেতিয়াও পিছুৱাই নাযায়। সেয়ে অতীতৰ স্মৃতিৰ মাজত থাকি বৰ্তমান নষ্ট কৰাটো বুদ্ধিমত্তাৰ কাম নহয়। বৰঞ্চ অতীতৰ পৰা শিক্ষা লৈ আগবাঢ়াটোৱেই সঠিক পথ।

এই বিষয়টো আন এটা দিশৰ পৰা চালে, সময়ে আমাক সহনশীলতা আৰু গ্ৰহণযোগ্যতা শিকায়। সকলো ঘটনা আমাৰ নিয়ন্ত্ৰণত নাথাকে। কিছুমান কথা আমি সলনি কৰিব নোৱাৰোঁ, যদিও আমি বহুত বিচাৰোঁ। এই সত্যটো মানি লোৱাটো সহজ নহয়, কিন্তু ই মানুহক ভিতৰৰ পৰা শক্তিশালী কৰে। সময়ে ধীৰে ধীৰে সকলো ঘা শুকুৱায়, সকলো দুখ লঘু কৰে আৰু মানুহক আগবাঢ়িবলৈ সহায় কৰে।

সময়ৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল-সুযোগ। জীৱনত সুযোগ একেবাৰে হঠাতে আহে আৰু সঠিক সময়ত সিদ্ধান্ত ল'ব নোৱাৰিলে সেই সুযোগ হেৰাই যায়। যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন, তেন্তে হয়তো আমি সেই সুযোগবোৰ আঁকোৱালি ল'বলৈ চেষ্টা কৰিলোঁহেঁতেন। কিন্তু এই উপলব্ধিয়ে আমাক এতিয়া সজাগ কৰি তোলে।

“যদি সময় ঘূৰাই আনিব পাৰিলোঁহেঁতেন” এই চিন্তাটো আমাক জীৱনৰ গভীৰতা বুজিবলৈ সহায় কৰে। ই আমাক শিকায় যে অতীতৰ বাবে অনুতাপ কৰাতকৈ বৰ্তমানত সজাগভাৱে জীয়াই থকাটো বেছি প্ৰয়োজনীয়। জীৱনৰ প্ৰতিটো মুহূৰ্ত মূল্যবান-এই উপলব্ধি থাকিলে আমি অধিক সচেতনভাৱে সিদ্ধান্ত ল'ব পাৰোঁ আৰু জীৱনটোক সুন্দৰ কৰি তুলিব পাৰোঁ।

সেয়ে, সময় উভতি আহিব নোৱাৰে বুলি জানিও আমি হতাশ নহ'ব লাগে। বৰঞ্চ এই সত্যটোক শক্তি হিচাপে লৈ আগবাঢ়া উচিত। অতীতৰ পৰা শিক্ষা, বৰ্তমানত সচেতনতা আৰু ভৱিষ্যতৰ বাবে আশা-এই তিনিটা বস্তুৱে আমাৰ জীৱনটোক সফল আৰু অৰ্থপূৰ্ণ কৰি তুলিব পাৰে।

# শ্ৰমিকৰ ঘাম আৰু সভ্যতাৰ ভেটি



**কুণ্ডিল হাজৰিকা, যোৰহাট, টীয়ক**

এখন সমাজ বা দেশৰ প্ৰগতিৰ প্ৰকৃত খনিকৰ হ'ল শ্ৰমিকসকল। আমি যি আধুনিক সভ্যতাৰ গৌৰৱ কৰো, তাৰ প্ৰতিটো ইটাৰ গাঁথনিত শ্ৰমিকৰ হাড়ভঙা পৰিশ্ৰম আৰু ঘাম নিহিত হৈ থাকে। যি সময়ত পৃথিৱীখন জিৰণিৰ বুকুত বিলীন হয়, সেই সময়তো কোনোবা কাৰখানাৰ যন্ত্ৰৰ শব্দত বা নিৰ্মাণকাৰ্যৰ খটখটনিত শ্ৰমিকৰ সজাগ উপস্থিতি অনুভৱ কৰা যায়।

শ্ৰমিকৰ জীৱন মানেই এক নিৰন্তৰ যুদ্ধ। তেওঁলোকৰ হাতৰ তলুৱাৰ কঢ়াবোৰে তেওঁলোকৰ ত্যাগৰ কাহিনী কয়। আমাৰ বাবে বিলাসৰ অট্টালিকা সাজি দিওঁতে তেওঁলোকে নিজৰ স্বাস্থ্য আৰু সময়কো তুচ্ছজ্ঞান কৰে। দুৰ্ভাগ্যৰ কথা যে, যিজন শ্ৰমিকৰ হাতৰ পৰশত চহৰ এখন উজলি উঠে, সেইজন শ্ৰমিক প্ৰায়েই সমাজৰ অৱহেলাৰ চিকাৰ হয়।

প্ৰকৃততে শ্ৰমৰ কোনো সৰু-বৰ নাই। এজন শ্ৰমিকৰ আত্মসন্মান আৰু মৰ্যাদা সুৰক্ষিত কৰাটো আমাৰ নৈতিক দায়িত্ব। তেওঁলোকৰ প্ৰতি কেৱল দয়া বা সহানুভূতি নহয়, বৰঞ্চ তেওঁলোকৰ প্ৰাপ্য সন্মান আৰু উচিত মজুৰি প্ৰদান কৰিলেহে সমাজত সমতা আহিব। শ্ৰমিকৰ পৰিশ্ৰমেই পৃথিৱীখনক সচল কৰি ৰাখিছে আৰু এই শ্ৰমৰ প্ৰতি থকা শ্ৰদ্ধাইহে আমাক প্ৰকৃত মানুহ হিচাপে পৰিচয় দিব।

# লক্ষ্য নিৰ্ধাৰণ আৰু সফলতা

**যোৰাখণ্ডৰ পৰা..**

লক্ষ্য পূৰণৰ পথত আত্মবিশ্বাসো এক শক্তিশালী অস্ত্ৰ। যিজনে নিজৰ ওপৰত বিশ্বাস ৰাখে, তেওঁ যিকোনো কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰে। আত্মবিশ্বাসে মানুহক সাহস দিয়ে আৰু ভয় দূৰ কৰে। ইয়াৰ বিপৰীতে, আত্মবিশ্বাসৰ অভাৱ থাকিলে মানুহে সহজে হতাশ হয় আৰু চেষ্টা এৰি দিয়ে। সেয়ে লক্ষ্যত উপনীত হ'বলৈ নিজৰ ওপৰত বিশ্বাস ৰখাটো অত্যন্ত জৰুৰী।




**কানুপ্ৰিয়া ডেকা, বৰপেটা, হাউলী**

আধুনিক সমাজত বহু সফল ব্যক্তিৰ জীৱন কাহিনীয়ে আমাক প্ৰেৰণা দিয়ে। তেওঁলোকে কেতিয়াও সহজ পথ নাছিল, কিন্তু স্পষ্ট লক্ষ্য, কঠোৰ পৰিশ্ৰম আৰু অদম্য মনোবলেৰে তেওঁলোকে সফলতা লাভ কৰিছে। এইবোৰ কাহিনী আমাক শিকাই যে সফলতা এদিনত নাহে; ইয়াৰ বাবে ধৈৰ্য্য, সময় আৰু একাগ্ৰতা প্ৰয়োজন।

ইয়াৰ উপৰিও, লক্ষ্য পূৰণৰ ক্ষেত্ৰত ইতিবাচক চিন্তাধাৰা অতি প্ৰয়োজনীয়। যিজনে সদায় ইতিবাচকভাৱে ভাবে, তেওঁ সমস্যাৰ মাজতো সুযোগ বিচাৰি পায়। নেতিবাচক চিন্তাই মানুহক পিছপৰা কৰি ৰাখে, কিন্তু ইতিবাচক চিন্তাই আগবাঢ়িবলৈ শক্তি দিয়ে। সেয়ে সফলতা লাভ কৰিবলৈ হ'লে সদায় ইতিবাচক মনোভাৱ বজাই ৰখাটো দৰকাৰ।

লক্ষ্য নিৰ্ধাৰণ কেৱল আৰম্ভণি, কিন্তু সফলতা হ'ল এক নিৰন্তৰ প্ৰচেষ্টা। এই যাত্ৰাত কেতিয়াবা ক্লান্তি আহিব, কেতিয়াবা মন ভাঙিব, কিন্তু সেইবোৰেই জীৱনৰ অংশ। যিজনে দৃঢ় সংকল্প আৰু অদম্য সাহসেৰে আগবাঢ়ি যায়, তেওঁ নিশ্চয় নিজৰ লক্ষ্যত উপনীত হয়। সেয়ে আমি সকলোৱে স্পষ্ট লক্ষ্য স্থিৰ কৰি, আত্মবিশ্বাসেৰে আৰু পৰিশ্ৰমেৰে জীৱনৰ পথত আগবাঢ়া উচিত। তেতিয়াহে সফলতা আমাৰ হাতত আহিব আৰু জীৱনটো সঁচাকৈয়ে অৰ্থপূৰ্ণ হৈ উঠিব।

# বাজপেয়ী ভৱনত দিলীপ

থাকিব গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিজেপিৰ বহুকেইগৰাকী ৰাষ্ট্ৰীয় নেতাই। ইতিমধ্যে এনডিএশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখমন্ত্ৰীসকলক শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থকাৰ বাবে নিমন্ত্ৰণী-পত্ৰ প্ৰেৰণ কৰিছে ৰাজ্য প্ৰশাসনে। ইয়াৰ পূৰ্বে ৯ মে'ত গুৱাহাটীত উপস্থিত হ'ব কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনী। পৰ্যবেক্ষক হিচাপে নিযুক্তি লাভ কৰা এই দুয়োগৰাকী নেতাৰ উপস্থিতিত ১০ মে'ত বাজপেয়ী ভৱনত অনুষ্ঠিত হ'ব বিধায়িনী দলৰ বৈঠক। এই বৈঠকতে বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হ'ব ড° হিমন্ত বিশ্ব শৰ্মাক। আনহাতে ১০ মে'ৰ বিয়লি অনুষ্ঠিত হ'ব এনডিএৰ বৈঠক। এই দুয়োখন বৈঠকৰ পাছতে ৰৰ মে'ত সম্পূৰ্ণ কৰি তোলা হ'ব শপতগ্ৰহণৰ সকলো প্ৰস্তুতি। ইফালে শপতগ্ৰহণ সমাৰোহৰ প্ৰস্তুতিৰ বুজ ল'বলৈ সন্ধিয়া ভাগত খানাপাৰাত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইয়াৰ পূৰ্বে অনুষ্ঠানৰ সকলো দিশ তদাৰক কৰাৰ লগতে সুৰক্ষাৰ দিশ পৰ্যৱেক্ষণ কৰাৰ বাবে খানাপাৰা পশু চিকিৎসালয় মহাবিদ্যালয় খেলপথাৰত উপস্থিত হয় মুখ্য সচিব ৰবি কোটা আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিঙৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ প্ৰশাসনিক বিষয়াই। মন কৰিবলগীয়া যে ড° হিমন্ত বিশ্ব শৰ্মা দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিবলগা এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা লক্ষাধিক লোক উপস্থিত থকাৰ সমান্তৰালকৈ দেশৰ কেইবাখনো ৰাজ্যৰ পৰাও মুখ্যমন্ত্ৰীগৰাকীক শুভেচ্ছা দিবলৈ উপস্থিত থাকিব বহুসংখ্যক দলীয় কাৰ্যকৰ্তা। উল্লেখ্য যে ২০২৬ ৰ নিৰ্বাচনত এক ঐতিহাসিক জনমত লাভ কৰি পূৰ্বৰ চৰকাৰৰ বা ৰাজনৈতিক দলৰ অভিলেখ ভংগ কৰে এনডিএই। অসম আন্দোলনৰ পাছত এনডিএই সৰ্বাধিক আসন দখল কৰাৰ অভিলেখ সৃষ্টি কৰিছে । মুঠ ১২৬ খন আসনৰ ভিতৰত এনডিএই লাভ কৰে ১০২ খন আসন । বিজেপিয়ে ৮২ খন আসন লাভ কৰাৰ বিপৰীতে দুই মিত্ৰদল ক্ৰমে অগপ আৰু বিপিএফে ১০ খনকৈ আসন লাভ কৰে । এতিয়া ১২ মে'ৰ দুপৰীয়া শপত ল'বলৈ সাজু হৈছে এনডিএ বাহিনী ।

# মুখ্যমন্ত্ৰী পদৰ বাবে হিমন্ত বিশ্ব শৰ্মা

সম্বোধন কৰি সভাপতি অতুল বৰাই বিধায়িনী দলৰ দায়িত্ব লাভ কৰা নেতাসকলৰ নাম ঘোষণা কৰে। মুখ্যমন্ত্ৰী পদৰ বাবে অগপই ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। সংবাদ মেলত বৰাই কয়, আজিৰ বিধায়িনী দলৰ বৈঠকত বিজয়ী হৈ অহা বিধায়কসকলে অসমৰ মুখ্যমন্ত্ৰী পদৰ বাবে যোৱা পাঁচ বছৰত ৰাজ্যৰ প্ৰতিটো প্ৰান্তত উন্নয়ন আৰু বিকাশৰ জোৱাৰ তোলা দক্ষ নেতা ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ কৰে। এই সভাত উপস্থিত অগপৰ আটাইকেইগৰাকী বিধায়কে নিজা নিজা সমষ্টিত দ্ৰুত উন্নয়নৰ বাবে কাম কৰাৰ লগতে সমগ্ৰ অসমৰ উন্নয়ন তথা খিলঞ্জীয়া জনসাধাৰণৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান আৰু বিকাশৰ বাবে নিঃস্বাৰ্থভাৱে নিজৰ সৰ্বস্ব উজাৰি দিবলৈ সংকল্পবদ্ধ হয়। বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱা সভাপতি অতুল বৰাই বিধায়িনী দলৰ দায়িত্বত থকা বিধায়কসকলৰ নামো সদৰী কৰে। সেই অনুসৰি বিধায়ক তথা বিগত চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তক উপ-দলপতি, ডিমৰীয়াৰ পৰা জয়ী হৈ অহা ড° তপন দাসক বিধায়িনী দলৰ সচিব আৰু বজালী সমষ্টিৰ পৰা জয়ী হৈ অহা ধৰ্মেশ্বৰ ৰয়ক দলৰ মুখ্য সচেতক হিচাপে নিৰ্বাচিত কৰা হয়। এই সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে দলৰ জ্যেষ্ঠ নেতা তথা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু ফণীভূষণ চৌধুৰী। ইফালে, বিধানসভা নিৰ্বাচনত এনডিএই ১০২খন আসন লাভ কৰাৰ পিছতে মিত্ৰদল বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ নেতৃত্বত এটা প্ৰতিনিধি দল আমবাৰীৰ কাৰ্যালয়ত উপস্থিত হয়। সভাপতি দিলীপ শইকীয়াৰ লগত আমবাৰীলৈ অহা দলৰ ভিতৰত আছে বিধায়ক, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু ৰবীন্দ্ৰ ৰাজু, ৰিতুপৰ্ণ বৰুৱা, অশোক ভট্টৰায়, কুইন ওজা, ৰেখাৰাণী দাসবড়ো আদি। ইয়াৰ পাছতে শেহতীয়া বিধানসভা নিৰ্বাচনৰ ঐতিহাসিক সফলতা আৰু সাফল্যৰ বিষয়ে আলোচনা কৰিবলৈ দুয়োটা দলৰ নেতাসকলে এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। দিলীপ শইকীয়াই অগপৰ সভাপতি তথা নৱনিৰ্বাচিত বিধায়িনী দলৰ নেতা অতুল বৰা, উপনেতা কেশৱ মহন্ত আৰু অগপৰ সকলো নৱনিৰ্বাচিত বিধায়কলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। যৌথ সভাত ভাষণ দি শইকীয়াই অনাগত পাঁচ বছৰত অগপৰ বিধায়কসকলে অসমৰ জনসাধাৰণৰ সেৱাত নিজকে সমৰ্পিত কৰি ৰাজ্যৰ সামাজিক আৰু উন্নয়নমূলক অগ্ৰগতিত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত ৪ মে'ক সোণালী আখৰেৰে লিপিবদ্ধ কৰা হ'ব। অসমৰ ১২৬খন আসনৰ ভিতৰত এন ডি এ মিত্ৰজোঁটে ১০২খন আসনত জয়লাভ কৰে। এই বিজয় অসমৰ জনসাধাৰণৰ, ৰাজ্য আৰু জাতিক ভালপোৱা প্ৰতিজন নাগৰিকৰ। বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে এই নিৰ্বাচনত সবল নেতৃত্বৰ বাবে কঠোৰ পৰিশ্ৰমী, জনকেন্দ্ৰিক আৰু দূৰদৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ড° শৰ্মাৰ নেতৃত্বত এন ডি এয়ে একেৰাহে তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠন কৰিব বুলি আস্থা প্ৰকাশ কৰে।

# ৰাজ্যপালৰ হাতত বিজয়ী

ইয়াৰ ভিতৰত বিজেপিয়ে ৮২খন আসনত, অগপই ১০খন আসনত, বিপিএফ দলে ১০খন আসনত জয়লাভ কৰে। আনহাতে ভাৰতীয় জাতীয় কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে লাভ কৰে ২ৰখন আসন। ইয়াৰ ভিতৰত কংগ্ৰেছে ১৯খন আৰু ৰাইজৰ দলে লাভ কৰে ২খন আসন। লগতে এআইইউডিএফ দলে ২খন আৰু তৃণমূল কংগ্ৰেছে লাভ কৰে এখন আসন। ৰাজ্যপালক সাক্ষাতৰ লগতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ৰাজ্যজুৰি শান্তিপূৰ্ণ স্বচ্ছ আৰু সফলভাৱে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পন্ন কৰাত সহায় আগবঢ়োৱা সংশ্লিষ্ট সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। দায়িত্বশীল আৰু উৎসাহেৰে গণতান্ত্ৰিক মূল্যবোধ ৰক্ষা কৰি নিৰ্বাচনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে অসমৰ ভোটাৰসকলকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্নিং বিষয়া, সহকাৰী ৰিটাৰ্নিং বিষয়া, ইলেক্টৰেল ৰেজিষ্ট্ৰেচন বিষয়া, বুথ লেভেল বিষয়া, ভোটগ্ৰহণ, ভোটগণনাৰ সৈতে জড়িত সকলো বিষয়া-কৰ্মচাৰীকে তেওঁলোকৰ নিষ্ঠা, পেছাদাৰী মনোভাব আৰু অক্লান্ত পৰিশ্ৰমৰ বাবে বিশেষভাৱে প্ৰশংসা কৰে। শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে নিৰ্বাচন সম্পন্ন কৰাত সহায় আগবঢ়োৱাৰ বাবে অসম আৰক্ষী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, হোমগাৰ্ড, আইন বলবৎকাৰী সংস্থা, বিভিন্ন চৰকাৰী বিভাগ, ৰাজনৈতিক দল, সংবাদ মাধ্যমকে ধৰি সকলো অংশীদাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# মমতা বেনাৰ্জীৰ

দলে ৰাজ্যপালক পত্ৰৰ জৰিয়তে তেওঁলোকৰ সংখ্যাগৰিষ্ঠতাৰ প্ৰমাণ দিব লাগিব । ইয়াৰ পিছতেই নিৰ্ধাৰণ হ'ব যে পৰৱৰ্তী নতুন চৰকাৰে শপত গ্ৰহণ নকৰা পৰ্যন্ত চৰকাৰৰ দায়িত্বক কোন থাকিব । যিহেতু এতিয়াও বৰ্তমান চৰকাৰৰ ম্যাদ শেষ হোৱা নাই, সেয়ে পৰৱৰ্তী পদক্ষেপ সম্পৰ্কে ৰাজভৱনৰ তৰফৰ পৰা এতিয়াও স্পষ্টভাৱে একো জনোৱা নাই। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছদিনা অৰ্থাৎ ৫ মে' মঙলবাৰে মমতা বেনাৰ্জীয়ে মুখ্যমন্ত্ৰী পদ ত্যাগ কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু অভিযোগ কৰিছিল যে নিৰ্বাচনৰ ফলাফল 'জনমত নহয়, ষড়যন্ত্ৰহে।' তেওঁ আৰু কৈছিল, 'মোৰ পদত্যাগৰ কথাই নাহে, কাৰণ আমাৰ পৰাজয় জনসাধাৰণৰ জনমতৰ বাবে হোৱা নাই, ই এক ষড়যন্ত্ৰ। মই পৰাজিত হোৱা নাই আৰু মই লোকভৱনলৈ নাযাওঁ। প্ৰায় ১০০ সমষ্টিত জনমত চুৰি কৰা হৈছে আৰু আমাৰ দলৰ উৎসাহ নাইকিয়া কৰিবলৈ ভোট গণনা ইচ্ছাকৃতভাৱে মন্থৰ কৰা হৈছিল।' নিৰ্বাচন আয়োগে বিজেপিৰ পক্ষত কাম কৰিছে বুলিও বেনাৰ্জীয়ে অভিযোগ কৰিছিল। তেওঁ কৈছিল, 'আমি নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা নাছিলোঁ, নিৰ্বাচন আয়োগৰ বিৰুদ্ধেহে যুঁজিছিলোঁ, যি বিজেপিৰ সপক্ষে কাম কৰিছিল।' পৰাজয়ৰ পাছত মমতা বেনাৰ্জীয়ে কৈছিল যে তেওঁ এতিয়া ৰাষ্ট্ৰীয় পৰ্যায়ত বিৰোধী ইণ্ডিয়া মৰ্চাক শক্তিশালী কৰাত মনোযোগ দিব। তেওঁ আৰু কৈছিল, 'একাত্মতা প্ৰদৰ্শন কৰিবলৈ ইণ্ডিয়া মৰ্চাৰ নেতা-নেত্ৰীসকলে মোলৈ ফ'ন কৰিছে। ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীয়েও মোৰ সৈতে কথা পাতিছে।' তেওঁ সংকল্পবদ্ধ হৈছিল যে তেওঁৰ ৰাজনৈতিক যুঁজ ৰাজপথত অব্যাহত ৰাখিব।

# শিৱসাগৰত আৰক্ষীৰ

ছাৰ্জেণ্ট মেজৰ ৰণ্টু অসম ওৰফে বীৰেন চেতিয়াৰ পৰা এটা বটল গ্ৰেনেড, ৭টা হেণ্ড গ্ৰেনেড, এটা ৯ এম এম পিষ্টল, ১০জাঁই সজীৱ গুলী উদ্ধাৰ কৰাৰ লগতে নগদ ১৩, ৫০০ টকাৰ উপৰি বহুতো আপত্তিজনক নথি-পত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পৰেশ বৰুৱাপন্থীৰ আলফা কেডাৰ ৰণ্ট অসম ওৰফে বীৰেন চেতিয়াৰ ঘৰ ডিমৌৰ কাষৰীয়া মৰাণ আৰক্ষী চকীৰ অন্তৰ্গত বেজপথাৰ গাঁৱৰ প্ৰয়াত পুতু চেতিয়াৰ পুত্ৰ। শিৱসাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়া অনুসৰি আলফা (স্বাঃ)ৰ শীৰ্ষ নেতৃত্বৰ নিৰ্দেশত উজনি অসমত কূটাঘাতৰ পৰিকল্পনাৰে প্ৰৱেশ কৰিছিল ৰণ্টু অসম। বিগত দিনকেইটা বিভিন্ন স্থানত আত্মগোপন কৰি যোৱানিশা ডিমৌ থানাৰ অন্তৰ্গত পালেঙী ধ্যানপথাৰত বাহৰ পাতিছিল ছাৰ্জেণ্ট মেজৰ ৰণ্টু অসমে। নাগালেণ্ডৰ দিশেৰে অসমত প্ৰৱেশ কৰা ধৃত বীৰেন চেতিয়া ওৰফে ৰণ্টু অসমে ৭টাকৈ হেণ্ড গ্ৰেনেড, এটা ৯ এম এম পিষ্টল আন এটা আলফা (স্বাঃ)ৰ দলক গতাই দিয়াৰ কথা আছিল। ৰণ্টু অসমে এই মাৰণাস্ত্ৰসমূহ আন গোটেক চমজাই দি বিস্ফোৰণৰ ভয়ংকৰ পৰিকল্পনা কৰিছিল বুলি জানিবলৈ দিয়ে। তদন্তৰ খাতিৰত আৰু কিছু তথ্য দিয়াৰ পৰা বিৰত থাকে শীৰ্ষ আৰক্ষী বিষয়াগৰাকী।

# ৰাজ্যপালক সাক্ষাৎ কৰি

নতুন চৰকাৰে কেতিয়া শপতগ্ৰহণ কৰিব, মন্ত্ৰীসভাত কোনে কোনে স্থান পাব এই প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- অহা ১১ মে'লৈকে নতুন মন্ত্ৰীসভা গঠন নহয়। ১১ মে'ৰ পিছত নতুন মন্ত্ৰীসভা গঠন হ'ব। পৰৱৰ্তী মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ মন্ত্ৰীসভাত কাক স্থান দিয়ে সেয়া নিৰ্ধাৰণ কৰিব। কেন্দ্ৰীয় পৰ্যবেক্ষক জে পি নাড্ডা আৰু নায়াব সিং ছাইনীৰ উপস্থিতিত নতুন বিধায়কসকলৰ সভা অনুষ্ঠিত হ'ব। এই বৈঠকত নেতা নিৰ্বাচন হ'ব, তাৰ ঠিক লগে লগে এনডিএৰ বৈঠক অনুষ্ঠিত হ'ব। এনডিএৰ বৈঠকত বিজেপিৰ নেতাগৰাকীক সমৰ্থন জনোৱাৰ প্ৰস্তাৱ লোৱা হ'ব। এই প্ৰস্তাৱৰ সৈতে এনডিএৰ দলসমূহে ৰাজ্যপালক সাক্ষাৎ কৰি মন্ত্ৰীসভা গঠনৰ আৰ্জি জনাব আৰু এনডিএৰ নেতাগৰাকীয়ে মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব আৰু মন্ত্ৰীসভা গঠন কৰিব। এই সকলোবোৰ একো একোটা সাংবিধানিক পদক্ষেপ। গতিকে এই পদক্ষেপসমূহ পূৰণৰ পাছতহে মন্ত্ৰীসভা গঠনৰ প্ৰস্তুতি শেষ হ'ব। মুখ্যমন্ত্ৰীগৰাকীৰ মতে, 'শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিবলৈ ইতিমধ্যে প্ৰধানমন্ত্ৰীলৈ আনুষ্ঠানিক নিমন্ত্ৰণ প্ৰেৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি ১১ মে'ৰ পাছতহে মোদীৰ অসম ভ্ৰমণ সম্ভৱ হ'ব।'

# পশ্চিমবংগত শপতগ্ৰহণ

কয়। মাত্ৰ এটা গান গোৱা বুলিহে আদালতক জানিবলৈ দিয়ে। বিচাৰকে গানটো আদালতত গাবলৈ মাখনলাল সৰকাৰক নিৰ্দেশ দিয়ে। লগে লগে মাখনলাল সৰকাৰে আদালতত গানটো গাই শুনায়। তাৰ পাছতে বিচাৰকে ৰে'লৰ এটা ফাৰ্ষ্ট ক্লাছ টিকটত ঘৰলৈ পঠিয়াই দিবলৈ আৰু যাতায়াতৰ বাবদ ১০০ টকা দিয়াৰ বাবে আৰক্ষীক নিৰ্দেশ দিয়ে। সমিক ভট্টাচাৰ্যই কয় যে মাখনলাল সৰকাৰ এনে এজন ব্যক্তি, যিয়ে ১৯৫২ চনত শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ঐতিহাসিক জম্মু-কাশ্মীৰ যাত্ৰাৰ সংগী আছিল। সেই যাত্ৰাত আন যিসকল গৈছিল, তেওঁলোক আজি জীয়াই থকা নাই। সেয়েহে শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ভূমিত শ্যামাপ্ৰসাদ মুখাৰ্জীৰ আদৰ্শৰ চৰকাৰ গঠন হোৱাৰ দিনটোত মাখনলাল সৰকাৰক মঞ্চত ৰখা হৈছে। উল্লেখ্য যে ৯৭ বছৰীয়া মাখনলাল সৰকাৰ ১৯৪৫ চনৰ পৰাই ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৈতে জড়িত। ১৯৫২ চনত তেওঁক জম্মু-কাশ্মীৰত শ্যামাপ্ৰসাদ মুখাৰ্জীৰ সৈতে গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁক বিজেপিয়ে শিলিগুৰিৰ প্ৰথম সাংগঠনিক সভাপতিৰ দায়িত্ব অৰ্পণ কৰিছিল। ১৯৮০ চনত বিজেপি গঠন হোৱাৰ পাছত তেওঁক পশ্চিম দিনাজপুৰ (বৰ্তমানৰ উত্তৰ আৰু দক্ষিণ দিনাজপুৰ), জলপাইগুৰি আৰু দাৰ্জিলিঙৰ সাংগঠনিক সমন্বয়ক হিচাপে নিযুক্তি দিয়া হয়। ১৯৮১ চনৰ পৰা মাখনলাল সৰকাৰ একেৰাহে সাতবাৰ জিলা সভাপতি আছিল। শপতগ্ৰহণ অনুষ্ঠানৰ মঞ্চত উপস্থিত থকাৰ বাবে শুকুৰবাৰে মাখনলাল সৰকাৰক আমন্ত্ৰণ জনোৱা হৈছিল।

# তামিলনাডুত সংখ্যা

সংখ্যা লাভ কৰা নাছিল। এনে অৱস্থাত টিভিকে দললৈ সমৰ্থন আগবঢ়ায় কংগ্ৰেছে। তদুপৰি ভিচিকে দলেও এইক্ষেত্ৰত সমৰ্থন আগবঢ়ায়। এনেক্ষেত্ৰত বাঁওপন্থী দলৰ চাৰিখন আসনৰ সমৰ্থন লাভ কৰিলেই বিজয়ে চৰকাৰ গঠনৰ দিশত আগবাঢ়িব পাৰে। অৱশেষত বাঁওপন্থী দল চিপিএম আৰু চিপিআয়ে সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত লয়। এই সমৰ্থন লাভৰ ফলত মেজিক নম্বৰত উপনীত হোৱাত এতিয়া নতুন চৰকাৰখনে শপতগ্ৰহণ কৰাৰ বাট মুকলি হ'ল। উল্লেখ্য যে ইতিপূৰ্বে বিজয়ে চৰকাৰ গঠনৰ দাবীৰে ৰাজ্যপাল আৰ এন আৰ্লেকৰৰ ওচৰ চাপিছিল যদিও তেওঁ প্ৰয়োজনীয়সংখ্যক বিধায়ক বিজয়ৰ ওচৰত নথকাত বিজয়ৰ আবেদন গ্ৰহণ কৰিবলৈ অমান্তি হৈছিল। এতিয়া সেই বাধাও আঁতৰিল।

# ডিব্ৰুগড়ত চিত্ৰাভিনেত্ৰী

তাপস দাসকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।নিশা সাংস্কৃতিক সন্ধিয়াৰ গীত পৰিৱেশন কৰে জনপ্ৰিয় কণ্ঠ শিল্পী গীতাঞ্জলি দাসে। পুৱাৰ ভাগত ডিব্ৰুগড় নগৰৰ মাজেৰে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই শুভ উদ্বোধন কৰা শোভাযাত্ৰাত অভিনেত্ৰী ভ্ৰান্তি মেধিকে ধৰি বিভিন্ন জাতি জনগোষ্ঠীয় সাংস্কৃতিক দলে অংশগ্ৰহণ কৰি নিজৰ নিজৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে।

# ডিব্ৰুগড়ত বিশ্ব ৰেডক্ৰছ

ডুনান্টৰ আদৰ্শ আজিও সমগ্ৰ বিশ্বৰ বাবে অনুকৰণীয় হৈ আছে বুলি বক্তাসকলে উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ছ'চাইটিৰ সম্পাদক অনুজ কুমাৰ বৰুৱাই উপস্থিত সদস্যসকলক আদৰণি জনাই দিৱসটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। ছ'চাইটিৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰে চাকি প্ৰজ্বলন আৰু মহান ব্যক্তিগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। উপস্থিত অন্যান্য সদস্যসকলেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড° শ্ৰুতিকৰে ছাৰ হেনৰি ডুনান্টৰ মানৱতাবাদী দৰ্শন আৰু মহান আদৰ্শসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। তেখেতে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সমাজৰ দুখীয়া আৰু আৰ্তজনৰ সেৱাত আত্মনিয়োগ কৰি অধিক মানৱীয় আৰু অন্তৰ্ভুক্তিমূলক সমাজ গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনায়। অনুষ্ঠানত সভাৰ উপ- সভাপতি ড° মহেশ কুমাৰ জৈন, ড° ভাৰতী দত্ত আদিয়েও বক্তব্য ৰাখি দুৰ্যোগ আৰু জৰুৰীকালীন পৰিস্থিতিত ৰেডক্ৰছ ছ'চাইটিয়ে মানৱসেৱামূলক অৱদান আগবঢ়োৱাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। এই অনুষ্ঠানত ছ'চাইটিৰ অনান্য সদস্য ড° ৰুনুমা শৰ্মা, সমীৰ কুমাৰ শৰ্মা, নৰেন্দ্ৰ নাথ গোস্বামী, ৰঞ্জন গোস্বামী, মিতালী বৰুৱা আৰু গায়ত্ৰী দেৱী গোস্বামী উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। ছ'চাইটিৰ উপ-সভাপতি ড° মহেশ কুমাৰ জৈনে শলাগৰ শৰাই আগবঢ়ায়।

# দেশৰ নতুন সেনা সৰ্বাধিনায়ক

আনহাতে কেন্দ্ৰই দেশৰ নতুন নৌসেনাপ্ৰধান হিচাপে কৃষ্ণ স্বামীনাথনক নিয়োগ কৰিছে। নৌসেনাৰ ভাইচ এডমিৰেল পদমৰ্যাদাৰ অফিচাৰ কৃষ্ণ স্বামীনাথনে চলিত মাহৰ শেষৰফালে নৌসেনাৰ মুৰব্বী হিচাপে দায়িত্বভাৱ ল'ব। বৰ্তমান নৌসেনাৰ মুৰব্বী হিচাপে আছে ভাইচ এডমিৰেল দীনেশ কুমাৰ ত্ৰিপাঠী। অহা ৩১ মে'ত তেওঁৰ কাৰ্যকাল অন্ত পৰিব। উল্লেখ্য যে ৰাষ্ট্ৰীয় ডিফেঞ্চ একাডেমীত আছিল সুব্ৰমণি। তাৰ পৰা ১৯৮৫ চনত যোগদান কৰে গড়ৱাল ৰাইফলছত। ব্ৰিটেইনত জইন্ট ছাৰ্ভিচেছ ক'মাণ্ড ষ্টাফ কলেজতো কেইবছৰমানৰ বাবে যোগ দিছিল তেওঁ। দেশলৈ ওভতাৰ পিছত তেওঁক মাউণ্টেইন ব্ৰিগেডৰ মেজৰ হিচাপে নিযুক্তি দিয়া হয়। ইয়াৰ পিছত নেচনেল ডিফেঞ্চ কলেজতো আছিল তেওঁ। ৩৫ বছৰ দীঘলীয়া কৰ্মজীৱনত তেওঁ একাধিক সংঘাত প্ৰৱণ এলেকাত সংবেদনশীল পদৰ দায়িত্ব চম্ভালিছিল। কাজাখস্তানৰ ভাৰতীয় দূতাৱাসতো আছিল এসময়ত। সেনা বাহিনীত কৃতিত্বপূৰ্ণ সেৱা আগবঢ়োৱাৰ বাবে একাধিক সন্মানো লাভ কৰে তেওঁ। ২০২৩ চনত সুব্ৰমণি চেণ্ট্ৰেল ক'মাণ্ডৰ ক'মাণ্ডিং ইন চীফ জেনেৰেল অফিচাৰ নিযুক্ত হয়। তাৰ পিছৰ বছৰতে দেশৰ ৪৭ সংখ্যক চিডিএছ হিচাপে দায়িত্ব লাভ কৰে। সক্ৰিয় সামৰিক চাকৰিৰ পৰা অৱসৰৰ পিছত সুব্ৰমণি আপাততঃ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ পৰামৰ্শদাতা হিচাপে কাম কৰে। এইবাৰ তেওঁক তিনিওটা বাহিনীৰে মুৰব্বীৰ দায়িত্ব দিয়া হ'ল। ইফালে পৰৱৰ্তী নৌসেনাপ্ৰধান স্বামীনাথন বৰ্তমান মুম্বাইত পশ্চিম নেভেল ক'মাণ্ডৰ মুৰব্বী হিচাপে কৰ্মৰত হৈ আছে। ইয়াৰ পূৰ্বে তেওঁ নৌসেনাৰ উপ-প্ৰধানৰ দায়িত্বও চম্ভালিছিল।তেওঁ ক্ষেপণাস্ত্ৰবাহী যুদ্ধজাহাজ আইএনএছ বিনাশ, আইএনএছ বিদ্যুৎ, ক্ষেপণাস্ত্ৰবাহী কৰভেট আইএনএছ কুলিছ, ক্ষেপণাস্ত্ৰ ধ্বংসকাৰী আইএনএছ মহীশূৰ আৰু বিমানবাহী যুদ্ধজাহাজ আইএনএছ বিক্ৰমাদিত্যৰ ক'মাণ্ডাৰ আছিল।

# ১৮ সংখ্যালঘু বিধায়ককলৈ

বিধায়কক এসাঁজ খুৱালে। ৰকিবুল হুছেইনৰ লাঞ্চ পাৰ্টীত কংগ্ৰেছৰ ১৮জনকৈ সংখ্যালঘু বিধায়ক উপস্থিত থকাৰ বিপৰীতে ৰহস্যজনকভাৱে এই পাৰ্টীৰ পৰা আঁতৰি থাকিল নাওবৈচাৰ বিধায়ক জয়প্ৰকাশ দাস। নিৰ্বাচনী ধুমুহাত বিধ্বস্ত হোৱাৰ পাছতো কংগ্ৰেছত যে লবীকেন্দ্ৰিক ৰাজনীতিৰ ওৰ পৰা নাই তাৰ নিদৰ্শন ৰকিবুল হুছেইনৰ বাসগৃহত হোৱা লাঞ্চ পাৰ্টীয়ে পুনৰ প্ৰমাণ কৰিলে। তিনিটাকৈ বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয়ৰ পিছতো হতাশ কংগ্ৰেছ শীৰ্ষ নেতৃত্বই মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত নিৰ্বাচনী বিপৰ্যয়ৰ কাৰণ বিচাৰি হাবাথুৰি খোৱাৰ সময়তে দলৰ বিধায়কসকলৰ লগত বাসগৃহত ৰকিবুল হুছেইনে আয়োজন কৰা এই লাঞ্চ পাৰ্টীয়ে দলৰ ভিতৰত যে ৰকিবুল হুছেইনৰ প্ৰভাৱ পুনৰ বৃদ্ধি হ'ব সেয়া স্পষ্ট কৰি তুলিলে। উল্লেখ্য যে ৰকিবুল হুছেইনৰ বাসগৃহত তেওঁৰ কাষত থিয় দিলে কংগ্ৰেছৰ বিধায়ক ক্ৰমে ৰাজেদ আলী চৌধুৰী, আফতাব উদ্দিন মোল্লা, বেবী বেগম, মহিবুৰ ৰহমান, নুৰুল ইছলাম, নুৰুল হুদা, তাঞ্জিল হুছেইন, আমিনুল হক লস্কৰ, জাকাৰিয়া আহমেদ, আশ্ৰাফুল ইছলাম শ্বেইখ, আব্দুছ ছোবাহান আলী সৰকাৰ, আব্দুল কালাম ৰছিদ, জুবেইৰ আনম মজুমদাৰ, আব্দুল ৰহিম আহমেদ, জাকিৰ হুছেইন শিকদাৰ, ৰেকিবুদ্দিন আহমেদ আৰু আমিনুৰ ৰছিদ চৌধুৰী। উপস্থিত নাথাকিল বিধায়ক ডাঃ জয় প্ৰকাশ দাস।

# দেশৰ পৰা অনুপ্ৰৱেশকাৰীক

বিজেপিৰ দীৰ্ঘদিনৰ অভিযোগ আছিল যে ৰাজ্যখনত তৃণমূল কংগ্ৰেছৰ ছত্ৰছায়াতেই অনুপ্ৰৱেশকাৰীহঁতৰ উৎপাত বৃদ্ধি পাইছে। ওলোটাই তৃণমূলৰ দাবী আছিল যে সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত বিএছএফৰ ব্যৰ্থতাই অনুপ্ৰৱেশৰ কাৰণ। সমস্যা হ'ল এই অনুপ্ৰৱেশকাৰীহঁতক সীমান্তত বাধা দিয়াৰ বাবে সীমান্ত ছীল হোৱাটো অত্যন্ত জৰুৰী। কিন্তু ইমান দিনে মাটিৰ সমস্যাৰ বাবে সেয়া সম্ভৱ হৈ উঠা নাছিল। এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে আশ্বাস দি কয়, 'এইবাৰ পশ্চিমবংগৰ সীমান্ত ছীল হ'বই। সকলো অনুপ্ৰৱেশকাৰীকে বিচাৰি বিচাৰি উলিয়াই বিতাড়ন কৰা হ'ব।' গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ সৈতে কোনো ধৰণৰ আপোচ কৰা নহ'ব। বহুতেই অভিযোগ কৰে যে বিজেপিয়ে এই অনুপ্ৰৱেশকাৰীৰ ইছ্যুটো উত্থাপন কৰে কেৱল মেৰু বিভাজনৰ বাবে, কিন্তু সেয়া সত্য নহয়। গৃহমন্ত্ৰীগৰাকীৰ দাবী-'মেৰুকৰণ নহয়, বিজেপিয়ে এই অনুপ্ৰৱেশকাৰীহঁতৰ কথা কয় কেৱল ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে। ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত কোনো আপোচ কৰা নহ'ব।' শ্বাহৰ স্পষ্ট কথা যে অনুপ্ৰৱেশকাৰীৰ বিচৰণভূমি হৈ থাকিবলৈ দিয়া নহ'ব পশ্চিমবংগক শ্বাহে লগতে কয়, ভৱানীপুৰৰ জনসাধাৰণকো অশেষ ধন্যবাদ। শুভেন্দুৱে বিগত নিৰ্বাচনত নন্দীগ্ৰামত মমতা দিদিক পৰাজিত কৰিছিল। দিদি আপোনাক এইবাৰ শুভেন্দু দাই আপোনাৰ ঘৰতে পৰাজিত কৰিলে। ভৱানীপুৰৰ জনসাধাৰণক অন্তৰৰ পৰা অশেষ ধন্যবাদ। এই জয়ৰ গুৰুত্ব দলৰ বিস্তাৰতে সীমিত হৈ থকা নাই। ইয়াৰ গুৰুত্ব বিজেপি-এন ডি এৰ ২১সংখ্যক ৰাজ্যতে সীমিত হৈ থকা নাই।

# শুভেন্দু অধিকাৰীৰ ব্যক্তিগত

গাড়ীখন আগভেটি ধৰি খিৰিকীৰে গুলী চলায় আৰু আক্ৰমণ সংঘটিত কৰিয়েই পলায়ন কৰে। সেইসময়ত ড্ৰাইভাৰৰ কাষৰ সন্মুখৰ চিটত বহি আছিল চন্দ্ৰনাথ ৰথ। তেওঁৰ চালকজনো এই গুলীচালনাৰ ঘটনাত আহত হয়। বৰ্তমান তেওঁ কলকাতাৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। চালকজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।গুলীচালনাত ৰথ গুৰুতৰভাৱে আহত হয় আৰু তেওঁক ওচৰৰ ব্যক্তিগত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কিন্তু চিকিৎসালয়ত উপস্থিত হোৱাৰ পাছত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখ কৰাৰ প্ৰয়োজন যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী পদৰ প্ৰবল দাবীদাৰ শুভেন্দু অধিকাৰীয়ে বৰ্তমানৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ভৱানীপুৰ সমষ্টিত আৰু একালৰ তেওঁৰে ঘনিষ্ঠ সহযোগী পবিত্ৰ কৰক নন্দীগ্ৰামত পৰাস্ত কৰি পশ্চিম বংগ বিধানসভালৈ নিৰ্বাচিত হৈছে। উল্লেখযোগ্য যে, নিহত চন্দ্ৰনাথ ৰথ প্ৰায় ১২ বছৰ ধৰি শুভেন্দু অধিকাৰীৰ সৈতে জড়িত আছিল আৰু তেখেতৰ ঘনিষ্ঠ সহযোগী হিচাপে পৰিচিত আছিল। শেহতীয়া নিৰ্বাচনী প্ৰচাৰ অভিযানতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইফালে, ঘটনাৰ পিছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে অভিযুক্তৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। লগতে, আৰক্ষীয়ে চিচিটিভি ফুটেজ পৰ্যালোচনা কৰি দুষ্কৃতিকাৰীৰ সন্ধান উলিয়াবলৈ চেষ্টা চলাইছে। সমগ্ৰ ঘটনাই দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।


## ENGLISH NEWS SECTION

# Chief Electoral Officer submits results of Assam Legislative Assembly Elections 2026 to Governor



Guwahati, RB News: The Chief Electoral Officer of Assam, Anurag Goel, today met Assam Governor Shri Lakshman Prasad Acharya at Lok Bhavan and formally submitted the results of the General Election to the Assam Legislative Assembly, 2026. Assam went to polls for all 126 Legislative Assembly Constituencies in a single phase on April 9, 2026. The counting of votes was conducted on May 4, 2026, in accordance with the guidelines and procedures laid down by the Election Commission of India. The Chief Electoral Officer apprised the Governor of the successful and peaceful conduct of the electoral process across the state. He highlighted that the elections were carried out with full adherence to electoral laws, ensuring transparency, inclusiveness, and integrity at every stage. Governor Sri Acharya acknowledged the efforts of the election machinery, district administration, security personnel, and all stakeholders involved in the smooth conduct of the elections. He lauded the commitment of officials and the enthusiastic participation of voters across all 35 districts of the state in strengthening the democratic process. It may be recalled that as recommended by the Election Commission of India, in pursuance of sub-section (2) of Section 15 of the Representation of the People Act, 1951, the Governor of Assam had called upon all the electorate of Assembly Constituencies in the State of Assam to elect members to the Legislative Assembly of the State and accordingly elections were held. Principal Secretary, Election Commission of India (ECI), Malay Mallick, Secretary ECI Rajiv Ranjan, Commissioner and Secretary to the Governor SS Meenakshi Sundaram and others were present on the occasion.

## KKR Beat DC By 8 Wickets



RB News: Kolkata Knight Riders thrashed Delhi Capitals by eight wickets to register their fourth win on the trot in the IPL, here on Friday.This was the fourth consecutive victory for the three-time champions, which has kept them alive in the race to the playoffs. Opting to bowl, KKR spinners led by Sunil Narine strangled Delhi Capitals in the middle overs on a tacky surface to restrict them to 142/8. Pathum Nissanka struck a quick 50 but Delhi lost momentum after his dismissal, scoring just 11 runs between the 12th and 16th overs as Anukul Roy (2/31), Kartik Tyagi (2/25) and Sunil Narine (1/17) applied the brakes.

## LSG Defeat RCB By 9 Runs



RB News: Lucknow Super Giants (LSG) kept their playoff hopes alive with a narrow 6-run victory over Royal Challengers Bengaluru (RCB) in a rain-curtailed 19-overs-a-side contest. Chasing a DLS-revised target of 213 in 19 overs, RCB suffered an immediate blow when Prince Yadav cleaned up Virat Kohli for a duck in the very first over. RCB skipper Rajat Patidar kept the chase alive with a valiant 61 off 31 balls, keeping his side in the hunt alongside Devdutt Padikkal (34).Prince Yadav returned to dismantle the middle order, finishing with figures of 3/33.

## SRH defeated PBKS by 33 runs




RB News: SunRisers Hyderabad (SRH) defeated Punjab Kings (PBKS) by 33 runs in their IPL 2026 match in Hyderabad on Wednesday. PBKS have now lost three matches in a row, while SRH have jumped to the top of the points table. SRH piled up a massive 235/4, thanks to strong knocks from Heinrich Klaasen (69 off 43) and Ishan Kishan (55 off 32), while Punjab could only manage 202/7 in reply. Punjab's poor fielding proved costly throughout the match.

## India's Sahil Jadhav bags bronze at Archery World Cup



RB News: Indian archer Sahil Jadhav clinched his maiden Archery World Cup 2026 Stage 2 medal after defeating Martin Damsbo in the bronze-medal playoff of the men's individual compound event in Shanghai on Saturday. The 25-year-old Indian archer delivered a composed display to secure a 147-144 victory and hand India its lone podium finish in the compound events at Stage 2 of the tournament. After trailing 30-29 following the opening end, Jadhav mounted a steady comeback across the remaining ends to seal an impressive win.

## Schedule for IPL 2026 playoffs announced



RB News:The BCCI announced the schedule for IPL 2026 playoffs. IPL 2026 final will not be held at the M. Chinnaswamy Stadium in Bengaluru, but instead at the Narendra Modi Stadium in Ahmedabad on May 31, the BCCI confirmed on Wednesday. Qualifier 1, featuring the top two teams in the standings, will be played on May 26 at the HPCA Stadium in Dharamshala, with a direct spot in the final at stake. The Eliminator, between the third and fourth-placed teams, will take place on May 27 at the New International Cricket Stadium in New Chandigarh.

## Cricketer Amanpreet Singh Gill passes away aged 36



RB News: Ex-PBKS cricketer Amanpreet Singh Gill has passed away aged 36. Amanpreet was a part of PBKS in 2009 and 2010. The pacer played for Punjab in Ranji Trophy from 2006 to 2008 and had also represented India Under-19 team. According to his coach Bharat Vij, he had been very ill for the past six months.

# লিমাৰিক



১) **উমা দেৱী, মৰিগাঁও**

কামৰ তাড়নাত থাকিল যে ভোকত
সময়ত দিগদাৰ কৰিলে পেটত
আছিল তাৰ গেষ্টিক
নকৰিলে যে লাষ্টিক
মাটিত বাগৰি চিঞৰিলে যে বিষত।

২)

বিষত থাকিব নোৱাৰি মাতে ডক্টৰ
পুৱাই সি যাব লাগিব বোলে ফেক্টৰ
নাখাই থাকা যে মৰা
কেনেকৈ জীৱন তৰা
ভাল নহ'লে কেনেকৈ চলাবি টেক্টৰ।

**ৰশ্মি গগৈ, টেঙাখাত, ডিব্ৰুগড়**

১)

জীৱনত বহুতো শিক্ষা লাভ কৰিলোঁ,
আনক সহায় কৰাতো বেয়া বুজিলোঁ,
স্বাৰ্থত তেল মালিছ,
কাম হ'লে পিঠি পাছ,
ভৱিষ্যতৰ বাবে মই শপত খালোঁ।

২)

বছৰে যে বৰ অগাদেৰা কৰি আছে,
প্ৰয়োজনীয় কামবোৰেই থাকি গৈছে,
মন বোৰ ভাল নাই,
আছোঁ কেকাই-গেঠাই,
নতুন কাপোৰ যে পিন্ধাই নহ'য়ছে।

**মালবিকা দেৱী, শোণিতপুৰ (হুগ্ৰাজুলি)**

১)

মৌ বিয়ালৈ ককাই দৈ কলহ নিছিল,
আধা বাটতে কলহটো ভাঙি থাকিল।
ম'হৰ গাখীৰৰ দৈ,
এৰি থৈ যায় কেনেকৈ।
হাচতিতে দৈ বান্ধি ককাই লৈ আহিল।

২)

নয়নৰ মাকৰ মনটো আজি মৰা,
জীয়েক পলাই গ'ল দূৰণিৰ ল'ৰা।
আগতে নিদিলে বাধা,
পঢ়াতো আছিল গাধা।
কথাটো জানিছিল মাকে আগৰে পৰা।

অণুগল্প

# বিবাহ বাৰ্ষিকী


**সম্প্ৰীতি কোঁৱৰ,এজিমালা, কেৰেলা**



বাৰে বাৰে চেষ্টা কৰিও টোপনি যাব পৰা নাই তাই। প্ৰথমটো শুভেচ্ছা বাণী শুনাৰ হেঁপাহেৰে পুৱতি নিশাই গৈ তাৰ কাষতে শুই পৰিল। পকা অঙঠাৰ উত্তাপত।

# হাঁহিয়ে বিলায় ৰ'দৰ সুগন্ধি

**দুলুমণি দেৱী, মাকুম**



হাঁহিয়ে বিলায় ৰ'দৰ সুগন্ধি । হাঁহিত থাকে এক অফুৰন্ত শক্তি । যি শক্তিয়ে পাহৰাই ৰাখে মানসিক অৱসাদ, অশান্তি ইত্যাদি। লগতে হাঁহিয়ে দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতাও বহুখিনি উপশম কৰিব পাৰে। দৈনিক অলপ সময় হলেও হাঁহিৰ এক পৰিবেশ ঘৰখনত গঢ়ি তুলিব পাৰিলে ভাল।জীৱনটো ৰসাল আৰু মধুময় কৰি তুলিবলৈ হাঁহি হ'ল জীৱনৰ প্ৰধান মহৌষধ।

আজিকালি প্ৰাণ খুলি হাহিঁবলৈ পৰিবেশ পৰিস্থিতিৰ কথাও ভাবিবলগা হয় । এই কথাখিনি নিজৰ অভিজ্ঞতাৰ পৰা অনুভৱ হয়। কিয়নো এবাৰ মই নিজেই তেনে এক পৰিস্থিতিৰ সন্মুখীন হৈ নিজকে অপৰাধী যেনেই অনুভৱ হৈছিল। বহুত দিনৰ পাছত যেতিয়া এঘৰ আত্মীয়ৰ ঘৰত গৈছিলো তেওঁলোক কৰ্মৰ বাবে গাঁৱৰ পৰা গৈ টাউনত থাকিব লগা হৈছিল। আমাক দেখি হাঁহি ফুৰ্তিত কথা বাৰ্তা পাতিবলৈ আৰম্ভ কৰি দিলে। মইয়ো কথাৰ মাজতে এবাৰ খোলাকৈ যেতিয়া হাঁহিলো কাষৰ মানুহঘৰৰ পৰা ঘটংকৈ এটা শব্দ অহা যেন লাগিল । জুমি চাই দেখো ঠিকেই তেওঁলোকে প্ৰথমে খিৰিকিয়ে দুবাৰমান জুমি চালে তাৰ পাছত আমাক একো নকৈ খিৰিকিখন ইমান বেচি জোৰে জপাই দিলে যে আমাৰ নিজৰে বেয়া লাগিল। আমি তেওঁলোকক অশান্তি দিয়া দৰে লাগিল। গতিকে প্ৰাণখুলি হঁহাতকৈ মুখ টিপি হহাঁই ভাল বুলি ভাবিলো। কিন্তু অভ্যাসবোৰতো ঘপহকৈ সলাব নোৱাৰি। মুকলি পৰিবেশ পালেই হাঃ হাঃ কৈ হাঁহিলেহে মনটো প্ৰফুল্লিত হয়।

যি কি নহওঁক এই কথাখিনি এই কাৰণেই কোৱা হৈছে হাঁহিবলৈ আজিকালি ভিন্ন দিশৰ কথাও চিন্তা কৰিবলগা হৈছে । বিশেষকৈ আগৰ দৰে পৰিবেশ নহয়, আগতে মানুহৰ ঘৰবোৰ সেৰেঙা আছিল, যিয়ে যেনেকৈ মন যায় হাঁহি মাতি থাকিব পাৰিছিল। আজিকালি ঘন জনবসতি হোৱা পৰা এঘৰৰ খিৰিকি খুলিলেই অন্যঘৰৰ খিৰিকিত লগাৰ দৰে হয়। গতিকে দৰ্জা খিৰিকি খোলোতেও সাৱধান হ'ব লগা হয়। তেনে পৰিস্থিতিত হাঁহিবলৈ হাজাৰবাৰ চিন্তা কৰিবলগা হয়।তথাপিও আনৰ অসুবিধা নোহোৱাকৈ এটি পৰিবেশ অতি প্ৰয়োজন ।নহলে ব্যস্ততাই আমাক সকলো পাহৰাই পেলাব। মৰম স্নেহৰ ভাৰো বৃদ্ধি হয় হাঁহিৰ দ্বাৰা, গতিকে হাঁহিটো ধৰি ৰখা বা আমাৰ সকলোৰে মাজত থকা উচিত। হাঁহিৰ দ্বাৰা এটি সুন্দৰ বাৰ্তাবৰণো সৃষ্টি হয়। গতিকে হাঁহিৰ গুৰুত্ব টথেষ্ট আছে।

# সন্তানৰ ভৱিষ্যতৰ দিশ আৰু

সেয়েহে, অভিভাৱকে সন্তানৰ লুকাই থকা এই প্ৰতিভা আৰু স্পৃহা চিনাক্ত কৰি সেই অনুসৰি উপযুক্ত দিশ নিৰ্দেশনা দিব লাগে।

ইয়াৰোপৰি, আজিৰ আধুনিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাও বৰ্তমান বহুমুখী হৈ উঠিছে। কেৱল পৰম্পৰাগত পেছাৰ ওপৰিও নতুন নতুন ক্ষেত্ৰ- যেনে তথ্য-প্ৰযুক্তি, ডিজিটেল মিডিয়া, উদ্যোগিতা, ক্ৰীড়া ব্যৱস্থাপনা আদি- উদ্ভৱ হৈছে। এই ক্ষেত্ৰসমূহতো আজিৰ যুৱ প্ৰজন্মই অসীম সম্ভাৱনা দেখুৱাবলৈ সামৰ্থ হৈছে। যদি এই ক্ষেত্ৰত সময়োপযোগী অভিভাৱকে এই পৰিবৰ্তন সমূহ বুজি সন্তানৰ আগ্ৰহৰ সৈতে মিলাই সিদ্ধান্ত লয়, তেন্তে সন্তানৰ ভৱিষ্যত অধিক উজ্জ্বল আৰু সুখময় হ'ব পাৰে।


অভিভাৱক আৰু সন্তানৰ মাজত এক সুস্থ যোগাযোগ থকাটো অতি প্ৰয়োজনীয়। সন্তানৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলি তেওঁলোকৰ চিন্তা-ভাবনা শুনা, সমস্যাবোৰ বুজা আৰু উৎসাহ যোগোৱা-এইদৰে শিশুটিক আত্মবিশ্বাসী কৰি তোলাত সহায়ক হয়। বাধ্যতাৰ সলনি পৰামৰ্শ আৰু সহানুভূতিৰ জৰিয়তে সন্তানক সঠিক পথত আগবঢ়োৱা উচিত।

উঠি অহা প্ৰজন্মৰ ক্ষেত্ৰত এই বিষয়টো বিশেষ গুৰুত্ব বহন কৰে, কিয়নো আজিৰ শিশুৱেই আগন্তুক দিনৰ সমাজ গঢ়োতা একো একোজন সুদক্ষ বিষয়া হৈ উঠিব। যদি তেওঁলোকৰ স্বাভাৱিক প্ৰতিভা আৰু সপোন সমূহ সঠিকভাৱে বিকাশ পাবলৈ সুবিধা দিয়া যায়, তেন্তে তেওঁলোক সমাজৰ বাবে এক ইতিবাচক শক্তি হিচাপে পৰিণত হ'ব।

সেইয়ে অভিভাৱকৰ দায়িত্ব কেৱল সন্তানৰ ভৱিষ্যত নিৰ্ধাৰণ কৰাই নহয়, বৰং তেওঁলোকৰ সপোন সমূহক সন্মান জনোৱা আৰু সঠিক দিশত আগবাঢ়ি যাবলৈ সহায় কৰাটো একান্তই প্ৰয়োজন। সন্তানৰ আগ্ৰহ আৰু স্পৃহাক অগ্ৰাধিকাৰ দি লোৱা সিদ্ধান্তই তেওঁলোকক সুখী, সফল আৰু আত্মনিৰ্ভৰশীল ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে। সেয়েহে, বাধ্যতাৰ সলনি বুজাবুজি আৰু সমৰ্থনৰ জৰিয়তেই সন্তানৰ এক সুন্দৰ ভৱিষ্যত গঢ় দি এখন সুস্থ আৰু উন্নত সমাজ গঢ়ি তোলাটো সম্ভৱ বুলি ভবাৰ প্ৰয়োজন আছে।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# Pride of Assam: Dr. Atanu Nath at the Frontiers of Global Physics



**Heramba Nath**

It raises important questions about how many other talented individuals may be constrained by systemic limitations. It challenges policymakers to move beyond symbolic recognition and invest meaningfully in the development of scientific ecosystems in peripheral regions.

Such investment must go beyond infrastructure. It must include the cultivation of a research culture—an environment where questioning is encouraged, where failure is seen as part of the learning process, and where curiosity is nurtured rather than constrained. Collaboration with international institutions, access to global research platforms, and opportunities for interdisciplinary study can play a crucial role in bridging existing gaps.

The story of Dr. Nath also carries a cultural dimension that is often overlooked in discussions of science. It reminds us that scientific inquiry is not detached from the human experience. It is shaped by context, by upbringing, by the environments in which individuals grow and learn. The journey from Lalabazar to the laboratories of Fermilab is not merely a geographical transitionÊ, it is a narrative of transformation, of crossing boundaries both visible and invisible.

In a broader philosophical sense, the implications of the Muon g-2 experiment extend far beyond the confines of particle physics. The possibility that the Standard Model of particle physics may be incomplete invites a rethinking of certainty itself. It suggests that knowledge is not a fixed entity but a dynamic process, constantly evolving as new questions arise and new answers are sought. This realisation carries profound implications for how we approach education and intellectual inquiry. It encourages a mindset that values curiosity over certainty, exploration over complacency. It reminds us that the pursuit of knowledge is an ongoing journey, one that requires humility as much as it does brilliance.

For Assam, the recognition of Dr. Nath becomes part of a larger narrative of identity and aspiration. It signals a shift in how the region is perceived, both within India and beyond. It challenges stereotypes that have long defined the Northeast as peripheral or marginal. It asserts that the region is not merely a recipient of knowledge but an active contributor to its creation.

The emotional resonance of this achievement is evident in the way it has been celebrated across the state. Educational institutions, students, and the general public have embraced it as a moment of collective pride. It has sparked conversations about science, education, and the future—conversations that are essential for the development of a knowledge-driven society.

Yet, the true significance of this moment lies not in celebration alone but in what follows. Recognition must translate into action. Inspiration must lead to opportunity. The story of Dr. Nath must become a catalyst for broader change, encouraging investment in education, fostering a culture of research, and creating pathways for future generations to engage with science at the highest levels.

As the global scientific community continues to explore the mysteries of the universe, the contribution of individuals like Dr. Nath serves as a reminder that the quest for knowledge is a shared human endeavour. It transcends boundaries of geography, culture, and language. It unites individuals in a common pursuit of understanding, driven by curiosity and sustained by collaboration.

In the quiet classrooms of Tihu College, in the villages of Assam, and in the minds of young students who dare to dream, this achievement will continue to resonate. It will serve as a source of inspiration, a reminder that the boundaries of possibility are not fixed but expandable.

The story of Dr. Atanu Nath is not merely about physics. It is about the power of education, the importance of opportunity, and the resilience of human aspiration. It is about a region finding its voice in the global conversation of science. And above all, it is about the enduring belief that brilliance can emerge from anywhere, illuminating the path for others to follow.

## বিবৰ্ণ সময়ৰ কোলাহল



**জ্যোতিমণি মাহত্ব**

অন্ধকাৰৰ চৰম সংকটতকালত
স্তব্ধ আজি আকাশৰ নীলা,
অখণ্ডতাৰ নামত ধ্বংসলীলাৰ তাণ্ডৱ
ৰক্তাক্ত ভূমিত কেৱল পৰাজয়ৰ শিলাখণ্ড।
নিৰপৰাধীৰ চিঞৰ শিশুৰ কান্দোনে
কৰিছে আজি সকলোকে জৰ্জৰিত,
গছ -গছনি, পশু -পক্ষী সকলো নিথৰ
মানৱতা আজি অজস্ৰ প্ৰশ্নৰ সন্মুখীন।
বিশৃঙ্খল কুটিল ৰাজনীতিৰ পাশত
মৰণৰ বিভীষিকাত কঁপে পৃথিৱী,
বিশ্বাসৰ পথাৰত এতিয়া
অনিশ্চয়তাৰ বিষাক্ত বননিৰে ভৰি পৰিছে।
মানৱতাৰ অন্তদ্বন্দ্বত আজি
বিবেকে হেৰুৱাইছে নিজৰ অস্তিত্ব,
অসুস্থ চিন্তাত নিমগ্ন হৈ
আপোনবোৰো পৰ হৈ পৰিছে।
মানৱৰ হাতত মানৱৰেই তেজ
হিংসাৰ জুইতজ্ব লিছে ঘৰ,
শান্তিৰ বগা পাৰজনীৰ
ডেউকা দুখনো আজি ভঙা।
সভ্যতাৰ কণ্ঠ আজি অৱৰুদ্ধ
চাৰিওফালে কেৱল ছলনাময়ী হেতালি,
অনিৰ্ণিত ভৱিষ্যতৰ ক্ৰুৰ আস্ফালন
বিলুপ্ত হৈছে একতাৰ শাশ্বত সোৱাদ।
আকাশৰ বতাহত কেৱল বাৰুদৰ গোন্ধ
ভয় আৰু সন্ত্ৰাসে গ্ৰাসিলে সকলো আশা,
সকলো মানুহৰ ৰক্ত হেনো একেই
অথচ সেই ৰক্তৰেই মানুহে লিখিছে বিভাজনৰ ইতিহাস।
কিমান আৰু এই ৰক্তাক্ত আসক্তি?
কিমান আৰু এই অনিৰ্ণিত বিবাদহ্ল
শতাব্দীৰ জৰাজীৰ্ণ বুকুত
বিৱৰ্তনৰ এক কৰুণ হাহাকাৰ।